NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1988

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VO. III

## NO. 21

The 23rd March, 1979

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781 022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 21

Dated the 23rd March, 1979.

## CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 52 |
| 2. | Miscellaneous ... ... ... ... | 52— 60 |
| 3. | Voting on demands for Grants ... ... | 60— 85 |
| 4. | Miscellaneous ... ... ... ... | 86 |
| 5. | Calling Attention ... ... ... ... | 87— 96 |
| 6. | Matter under rule 301 ... ... ... | 96— 102 |
| 7. | Adjournment ... ... ... ... | 103 |

Proceedings of the third Session of the Assam Legislative Assembly Assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chember Dispur Guwahati on Friday, the 23rd March, 1979 with the Hon. Deputy Speaker in the Chair, 10 ( ten ) Minister, 4 ( four ) Ministers of State, 3 ( three ) Parliamentary Secretries and 72 ( seventy two ) Members present.

—

## STARRED QUESTIONS AND ANSWERS

Date : 23rd March, 1979

( To which oral answers were given )

———

Re : Kalinagar Primary Health Center

Shri Nepal Chandra Das asked :

* 291 Will the Minister of State, Health be please to state—

(a) Whether it is a fact that Government sanctioned money for extension of the building of Kalinagar Primary Health Centre under Silchar Civil Subdivision during the last Congress regime and accordingly two bighas of land was donated for the purpose ?

(b) If so, what is the reason for not starting the work up till now ?

Dr. Kosheswar Bora ( Minister of State, Health ) replied :

291. (a)— No.

(b)— Does not arise.

শ্রীনেপাল চন্দ্র দাস :— উপাধ্যক্ষ মহোদয়, আমার জানামতে ১৯৭৭ ইংরাজীতে, কংগ্রেস আমলে এই হাসপাতালের এক্সটেনসনের জন্য টাকা ধার্য্য করা হয়েছিল এবং এই ধার্য্য করা টাকার জন্য একজন দাতা ২ বিঘা জমি দান করেছিলেন, কিন্তু পরে আমরা শুনতে পেলম যে এই ধার্য্য করা টাকা অন্যদিকে চলে গিয়েছে। একথা কি ঠিক?

ডঃ কোষেশ্বৰ বৰা (মন্ত্রী) :— উপাধ্যক্ষ মহোদয়, এই এক্সটেনচন কাৰণে যিটো মাটি দিয়া হৈছে, সেই মাটি কোনোবা এজন দাতাই দান দিয়া বুলি মাননীয় সদস্য গৰাকীয়ে কোৱা কথাটোৰ খবৰ আমাৰ হাতত

নাই। চতুৰ্থ পঞ্চম পৰিকল্পনাত প্ৰাথমিক প্ৰাইমেৰী হেল্‌থ চেণ্টাৰৰ লগত মিলাই ৰোৰেল ফেমিলি প্লেনিং চেণ্টাৰ খোলাৰ কাৰণে ভাৰত চৰকাৰে আঁচনি কৰি টকা দিছিল, কিন্তু সময়মতে সেই সময়ত কৰিব নোৱাৰাৰ কাৰণে ভাৰত চৰকাৰে সেই আঁচনিৰ টকা নাকচ কৰি দিয়ে। যোৱা ১৯৭৭ চনত পুনৰ ভাৰত চৰকাৰে এই আঁচনিৰ কাৰণে কিছু টকা দিলে। এই মৰ্ম্মে কাছাৰত প্ৰাথমিক প্ৰায়মেৰী হেল্‌থ চেণ্টাৰৰ লগত ৰোৰেল ফেমিলি প্লেনিং চেণ্টাৰ খোলাৰ সিদ্ধান্ত কৰি কাম আৰম্ভ কৰা হ'ল। কিন্তু কালী নগৰত তেনেকুৱা কোনো আঁচনি কৰা নাই।

শ্ৰীনিশীথ দাস :— উপাধ্যক্ষ মহোদয়, গিরীশ গঞ্জ প্রাথমিক স্বাস্থ্য কেন্দ্র স্থাপনের জন্য ৪-১-৭৫ ইংরাজীতে স্বাস্থ্য বিভাগকে জমিজান করা হয়। স্বাস্থ্য বিভাগ বিগত ১৭-৩-৭৫ তারিখে একজিকিউটিভ ইনজিনিয়ার করিমগঞ্জকে সমঝিয়ে দেয় এবং ২৮-৯-৭৮ তারিখে একজিকিউটিভ ইনজিনিয়ার শিলচর এসটিমেট সহ সুপারিটেনডেণ্ট ইনজিনিয়ার গৌহাটীর নিকট দাখিল করেন এবং এই বিভাগে এডমিনিষ্ট্রেটিভ এপ্রোভেলের জন্য ২৩-১১-৭৮ ইংরাজী তারিখে চীফ ইনজিনিয়ারের অফিসে পাঠানো হয় কিন্তু এখনও পর্য্যন্ত এই চিকিৎসা কেন্দ্রের কাজ আরম্ভ না হওয়ার কারণ কি এবং এই কাজ কবে আরম্ভ হবে।

ডঃ কোশ্বেৰ বৰা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মই এইটো চাই লব লাগিব। এই ক্ষেত্ৰত মই মাননীয় সদস্য গৰাকীক এটা কথা জনাব খোজো যে ইয়াৰ উপৰিও হৰি নগৰ আৰু লক্ষীপুৰত প্ৰাইমেৰী হেল্‌থ চেণ্টাৰ খোলাৰ আঁচনি লোৱা হৈছে।

শ্ৰীজীৱন বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, কংগ্ৰেছ চৰকাৰৰ দিনত ২ বিঘা মাটি দান দিয়াৰ কথা ওলাইছেল; সেইটো সেই সময়ত

ৰাইজক ভুৱা দিবৰ কাৰণেই প্ৰচাৰ কৰা হৈছিল নেকি ?

শ্ৰীগোলক ৰাজবংশী :— মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাটোত মোৰ অবজেক্সন আছে ।

উপাধ্যক্ষ মহোদয় :— এনে প্ৰশ্ন নাহে, ইয়াৰ উত্তৰ দিব নেলাগে ।

Re : Trained Nurses receiving stipend from Assam Tea Employees' Welfare Board

**Shri Joy Chandra Nagbanshi asked :**

* 292. Wiil the Minister, Lobour be pleased to state—

(a) The total number of trained nurses ( both A.N.M. and G. N. M. ) receiving stipend from the Assam Tea Employees' Welfare Board, Guwahati ?

( Figure may be shown Community and Sub-division-wise ).

(b) The totel expenditure incurred for this purpose till 30th December, 1978 by the said Board ?

Shri Jogannath Sinha (Minister, Labour) replied :

292. (a)—(i) Altogether 78 ( seventyeight ) Tea Gar-

den girls trained as Nurses received stipend from the Assam Tea Employees Welfare Board. 23 of them received training in General Nursing and 55 in Auxiliary Nurse-*cum*-Midwifery ( A. N. M. ) Course.

(ii) Subdivision-wise breake-up is—

| | | |
|---|---|---|
| Dibrugarh | ... | 21 |
| Sibsagar | ... | 15 |
| Jorhat | ... | 6 |
| Golaghat | ... | 6 |
| Nowgong | ... | 6 |
| Lakhimpur | ... | 2 |
| Tezpur | ... | 8 |
| Karimganj | ... | 5 |
| Hailakandi | ... | 5 |
| Silchar | ... | 4 |
| TOTAL | — | 78 |

(iii) Community-wise break-up of the trainees is :

Tea Garden Labour Communfty—
48 Numbers.

Dependants of Tea Garden staff—
30 Numbers.

(b)— The expenditure incurred by the Board till 30th

December, 1978 is Rs. 1,55,813.40 Paise.

শ্ৰীজয় চন্দ্ৰ নাগবংশী :— মাননীয় উপাধ্যক্ষ মহোদয়, বহুতো প্ৰশিক্ষণ প্ৰাপ্ত নাৰ্চক এতিয়ালৈকে চাকৰিত নিযুক্তি দিয়া হোৱা নাই, এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

Shri Jogannath Sinha ( Minister ) :— Sir, so far my information goes, out of 78 candidates, 4 were discharged. So, excepting these four, almost all are emplayed.

শ্ৰীজয় চন্দ্ৰ নাগবংশী :— মাননীয় উপাধ্যক্ষ মহোদয়, টি গাৰ্ডেন লেবাৰ কমিউনিটিৰ পৰা ৪৮ গৰাকী নাৰ্চক ট্ৰেনিং দিয়া হৈছিল, তাৰ ভিতৰত কোনো এগৰাকীকে উপযুক্ত বুলি বিবেচনা কৰা নহ'ল। মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই আটাই কেইগৰাকীয়েই সঁচা-কৈয়ে অনুপযুক্ত আছিল ?

শ্ৰীজগন্নাথ সিন্হা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এই কথাটো দৰখাস্ত কিমান পাইছিলো তাৰ ওপৰত নিৰ্ভৰ কৰে। কিছুমান দৰখাস্ত হয়তো পাইছিলো, তাৰ কুৱালিফিকেচন নাছিল তেনে ক্ষেত্ৰত মই জোৰ কৰি দিব নোৱাৰোঁ।

শ্ৰীজয়চন্দ্ৰ নাগবংশী :— মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৬-৭৭ চনৰ চেচনত প্ৰায় ৮১ গৰাকী ছোৱালীয়ে এপ্লাই কৰিছিল, তাৰ কোনো এগৰাকী ছোৱালীয়েও চিট নেপালে, কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীজগন্নাথ সিন্হা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, ১৯৭৬ চনৰ চেচনত টোটেল কেণ্ডিডেট ২ জনক দিয়া হৈছিল, আৰু ১৯৭৭ চনৰ চেচনত

৭ জনক দিয়া হৈছিল। ওৱেল ফেৱাৰ বৰ্ডৰ ফালৰ পৰা কোনো কেণ্ডি-ডেতে চিট পোৱা নাছিল আৰু যি বিলাকে চিট পায় সেই বিলাককহে ষ্টাইপেণ্ড দিয়া হয়।

Shri Ranendra Narayan Basumatari :— Sir, I want to know from the Hon'ble Minister that those nurses who prosecuted their studies after receiving stipend from the Assam Tea Garden Welfare Board, whether in the matter of appointment they are placed at the disposal of the Health Deptt and they are appointed by the Director of Health Services or they are appointed by the Tea Gardens themselves ?

Shri Jagnnath Sinha (Minister) :— Sir, wherever the vacancies are there, they are appointed they are appointed in the hospitals ; they are appointed in the tea gardens ; they are appointed in different Industrual establishments and so on.

Shri Ranendra Narayn Basumatari :— Sir, my question is whether their services are placed directly at the disposal of the Health Deptt or not ?

Shri Jogannath Sinha (Minister) :— Not necessarily.

শ্ৰীঅতুল গোস্বামী :— মাননীয় উপাধ্যক্ষ মহোদয়, এই চাহ বাগিচাৰ ছোৱালী সকলক ট্ৰেইনিঙৰ কাৰণে যি চিট দিয়া হয় সেইটো

বাগানৰ ছোৱালী বিলাকক উইক হিচাবে ধৰি লৈ দিয়া হয়নে টি গাৰ্ডেন ওৱেল ফেয়াৰ বৰ্ডৰ পৰা কোটা থকাৰ কাৰণে নে ওৱেল ফেয়াৰ বৰ্ডে হেঁচা দিয়াৰ কাৰণে হে এইটো দিয়া হয় ?

শ্ৰীজগন্নাথ সিন্‌হা (মন্ত্ৰী) :— উপাধক্ষ্য মহোদয়, টি গাৰ্ডেন ওৱেল ফেয়াৰ বৰ্ডৰ ফালৰ পৰা হেঁচা দিয়াৰ কাৰণেহে দিয়া হৈছে। আনকি ছাত্ৰী থকাৰ কাৰণে যি হোষ্টেল আদি পতা হয় তাৰ কাৰণেও টকাৰ গ্ৰাণ্ট দিয়া হয়। ৭ জন কেণ্ডিডেটক an aunnally accoms date কৰাৰ কাৰণে ৫০ হেজাৰ টকাৰ অনুদান দিয়া হৈছে।

শ্ৰীঅতুল গোস্বামী :— মাননীয় উপাধ্যক্ষ মহোদয়, এ, এন, এম আৰু জি, এন, এম নাৰ্চ ট্ৰেইনিংৰ কাৰণে যিবিলাক ফৰ্ম লাগে সেই ফৰ্ম পইচা দি আনিব লাগে। মন্ত্ৰী মহোদয়ে এই ফৰ্ম বিলাক ডিষ্ট্ৰীক্ট হেল্‌থ অফিচৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— এইটো আমাৰ নজৰলৈ এতিয়াও অহা নাই। এটা কথা অৱশ্যে মই কব পাৰো যে এই ফৰ্ম বিলাক ওৱেল ফেয়াৰ অফিচৰ যোগেদি দিয়া হয় আৰু প্ৰয়োজন হলে এনেকুৱা এখন ফৰ্ম সদনৰ মজিয়াত প্লেচ কৰিম। I can place it on the table of the House. We sent it to the individual applicant and that application has to be addressed to the Assam Tea Employes Welfere Board. The question of difficulty in getting the form does not and connot arise.

শ্ৰীদিলেশ্বৰ তাঁতী :— মন্ত্ৰী মহোদয়ে জনাবনে টি গাৰ্ডেনত ওৱেল ফেয়াৰ বোৰ্ডৰ যোগেদি নাৰ্চ নিয়োগ কৰাৰ ব্যৱস্থা কৰিছে। এই অৱস্থাত চাহ বাগিচা বিলাকত হেল্‌থ এচিটেণ্টৰ যি অভাৱ হৈ আছে তাৰ

কাৰণে পৰ্য্যাপ্ত পৰিমানে এনে ধৰণৰ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা ওৱেল ফেয়াৰ বোৰ্ডে কৰিব নে ?

শ্ৰীজগন্নাথ সিংহ :— এইটো বেলেগ প্ৰশ্ন যদিও উত্তৰ দিব লগা হৈছে। Sir, the question is regarding Nurses and this question is regarding Health Assistant yet we have taken steps. আমি সেইটো ঠিক কৰিম। গভৰ্ণমেণ্ট অৱ ইণ্ডিয়াৰ পৰা এটা এই বিষয়ত স্কীম আছে। This course is for one and a half year তাৰ বন্দবস্ত কৰিছো। If the boys are intersted in getting training চাবুৱা হস্পিটেল আৰু আসাম মেডিকেল কলেজ হস্পিটেলত তাৰ বন্দবস্তি কৰিছোঁ।

Shri Ramesh Saharia :— Sir, the Minister has informed us about Subdivisional break up and in that subdivisional break up though there are many gardens in this Welfare Board in the Mangaldai Subdivision, the Subdivision is not mentioned. Will the Minister inform us whether there was any application from that Subdivision or proper publicity was not given to the people ?

Shri Jogannath Sinha (Minister, Labour):— Sir, proper publicity is duly given. May be that suitables candidates were not available or candidates were not avaliable to fit in, or they were less qualified candidates. We sponsor the cundidates and the selection is

done by the Nursing Superintendent and she selects on the basis of merit and qualification. Sir, might be that there were candidates from Mangaldai but in the process of selection due to lesser marks secured by them they were not selected that is my point.

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— চাৰ, মন্ত্ৰী মহোদয়ে কৈছে চাৰিগৰাকী ছোৱালীক নাৰ্চ চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। এই বৰ্খাস্ত কৰা নাৰ্চ কেইগৰাকীৰ নাম কি? আৰু কি কাৰণত তেওঁলোকক বৰ্খাস্ত কৰা হয়? তেওঁলোকৰ ঠাইত অন্য ছোৱালী লোৱা হৈছে নেকি? যদি হৈছে তেওঁলোক ট্ৰেইনিং পাছ হয় নে নহয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— নাৰ্চ কেইগৰাকীক বৰ্খাস্ত কৰাটো সচা কিন্তু মই তেওঁলোকৰ নাম নাজানো আৰু আচলতে জানিলেও সদনত কোৱাটো ভাল নহব বুলি ভাবো।

শ্ৰীমুকুট শৰ্ম্মা :— উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে টি গাৰ্ডেনত স্থানীয় মানুহক নিযুক্তি দিছে। কিন্তু মন্ত্ৰী মহোদয়ে জানেনে তেজপুৰৰ কিছুমান ঠাইত হেল্থ এচিচ্টেণ্ট অসমৰ বাহিৰৰ মানুহক নিয়োগ কৰা হৈছে?

Shri Jagannath Sinha, ( Minister, Labour ) :— Sir, the question is about Nurses, yet, Sir, in the last meeting of the Medical Advisory Board which was held after long 6 years, ( it is scheduled to be held at least once in three months and it was held after 6 years ) there was a decision taken that in each and every

garden one Health Assistant will have to be appointed and after giving appointment the incumbent will be sent for training at the cost of the management and that candidate must be from amongst the families of the tea garden labourers. I do not know about these two cases but if the specific case is brought to my notice definitely I will take action. 2/3 of the cases to the nature have come to my notice and I am taking steps.

শ্ৰীবিপিন হাজৰীকা :— উপাধ্যক্ষ মহোদয়, চাহ বাগান বিলাকৰ হস্পিটেল বিলাকত কিছুমান নাৰ্চ আছে কিন্তু তেওঁলোক ট্ৰেইন্ড নহয়, তেওঁলোকৰ পৰা কাম বিলাক আদায় কৰা হয় কিন্তু তেওঁলোকক খুব কম দৰমহা দিয়া হয় আৰু এই ব্যৱস্থা চলি আছে। এই বিষয়ে নানা দাবী আৰু আপত্তি আমাৰ ফালৰ পৰাও কৰি থকা হৈছে। চাহ বাগানত যি সকল নাৰ্চ আছে বহুদিনিয়া আৰু অভিজ্ঞ আৰু তেওঁলোকে এতিয়াও কাম চলায়েই আছে। গতিকে তেওঁলোকৰ ক্ষেত্ৰত লেবাৰ দিপাৰ্টমেণ্টৰ লগত আলোচনা কৰি এটা গ্ৰেড দিয়াৰ ব্যৱস্থা বা চাৰ্টিফিকেট আদি দি হলেও গ্ৰেড দিয়াৰ বিষয়টো চৰকাৰে কৰিব নে ?

শ্ৰীজন্নাথ সিংহ (মন্ত্ৰী) :— এইটো সঁচা যে কিছুমান বাগানত আন ট্ৰেইন্ড নাৰ্চ আছে আৰু তেওঁলোকে নাৰ্চ/মিড ওৱাইফৰ কাম কৰি আছে untrained nurse or only midwifes are functioning as Nurses though there is clear cut provision that a particular incumbent must be a Nurse-cum-Midwife and this is under the Central Act, the Plantation Labour Act. Sir, I cannot or we cannot amend that act.

for appointing underqualified persons.

( An Hon'ble Member— if someone has appointed ? )

Shri Jagannath Sinha, ( Minister, Labour ) :— For this he or she is liable for prosecution and they have not been prosecuted.

Shri Bipin Hazarika :— Why they have not been prosecuted ?

Shri Jagannath Sinha ( Minister, Labour ) :— So, long they were not prosecuted but now prosecution has been started.

Shri Bipin Hazarikd :— I want to know if there is an instance, Sir.

Shri Jagannath Sinha ( Minister, Labour ) :— Instances are there, Sir. This question relates to the training of nurses but yet I can say that instances are there. There are almost one thousand tea gardens in Assam and overnight prosecution cannot take place in all the Tea Estates. Plantation Labour Act come into force in 1954 and prosecution were not done so long very seldom. We have taken over only one year back and have started the process of prosecution.

শ্রীনগেন বৰুৱা :— চাহ বাগিচা বিলাকত অধিকাংশ হস্পি-

তালতে ট্ৰেইণ্ড নাৰ্চ নোহোৱাৰ ফলত আৰু চাহ বাগানৰ মজদুৰ সকলৰ মাজত বৰ্দ্ধিত হাৰত শিক্ষিত ছোৱালীৰ সংখ্যা বাঢ়ি যোৱাৰ ফলত এই সমস্যা সমাধান কৰিবৰ কাৰণে আসাম টি ওৱেলফেয়াৰ বোৰ্ডে আমাৰ স্বাস্থ্য বিভাগৰ লগত যোগাযোগ কৰি নাৰ্চ ট্ৰেইনিংৰ কাৰণে আঁচনি লৈ কিবা ব্যৱস্থা কৰাৰ চিন্তা কৰিব নে ?

শ্ৰীজগন্নাথ সিংহ :— মই কৈছোৱেই যে ট্ৰেইন্‌ড নাৰ্চ নোহোৱাৰ কাৰণে আমাৰ অসুবিধা হৈছে। মাননীয় সদস্যই পৰামৰ্শ দিছে যেতিয়া It is a very valuable suggestion and this will definitely be considered, Sir.

( Interruptions )

Mr. Deputy Speaker :— Elaborate discussion has taken place regurding this question. Now, next question.

বিষয় ঃ কমলপুৰত গড়কাপ্তানী সংমণ্ডলৰ কাৰ্য্য

শ্ৰীদৈব শক্তি ডেকাই সুধিছে :

* ২৯৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কমলপুৰত এটি গড়কাপ্তানী সংমণ্ডলৰ কাৰ্য্যালয় স্থাপন কৰিবনেকি ?

(খ) যদি কৰে, কোন কোন উপসংমণ্ডল এই সংমণ্ডলৰ অধীনস্থ থাকিব ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী ৰিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৯৩। (ক)— এতিয়ালৈ একো চিন্তা কৰা হোৱা নাই।

(খ)— প্ৰশ্ন নুঠে।

শ্ৰীদেৱশক্তি ডেকা ঃ— উপাধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে জনাবনে যে অসমৰ ভিতৰত নৰ্থ কামৰূপ গড়কাপ্তানী ৰিভাগটোৱেই বৃহত্তৰ। আৰু এইটো বৃহত্তম হোৱাৰ কাৰণে এটা গড়কাপ্তানী বিভাগ বা এজন ইঞ্জিনীয়াৰে সমগ্ৰ অঞ্চলটোৰ যাতায়াত অৰ্থাৎ ৰাষ্টা-ঘাটৰ কাম পৰিচালিত কৰিব নোৱাৰাৰ কাৰণে সমগ্ৰ উত্তৰ কামৰূপ অঞ্চলটোৱে ৰাষ্টা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰত পিচ পৰি আছে। আৰু এই ক্ষেত্ৰত ৰাইজৰ তৰফৰ পৰা যি অভিযোগ আহিছে এই সম্পৰ্কে উত্তৰ কামৰূপ গড়-কাপ্তানী বিভাগটো বিভাজন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— তেখেতে যিটো কথা কৈছে সেইটো সত্য নহয়। আমাৰ নৰ্থ কামৰূপ ডিভিজনত ৫টা চাব ডিভিজন আছে। সেইকেইটা হৈছে— নলবাৰী, ৰঙিয়া, গোৰেশ্বৰ, হাজো আৰু ধমধমা। যদি আমাৰ ৱৰ্ক লোড বাঢ়ে, এতিয়া অৱশ্যে কিছুকাম বাঢ়িছে আৰু যদি বাঢ়ি যায় আমি সেইমতে দিবলৈ উত্তৰ কামৰূপৰ কথা বিবেচনা কৰিম। বৰ্তমান এই ৫টা চাব ডিভিজনেই যথেষ্ঠ পৰিমাণে কাম কৰি আছে।

শ্ৰীদেৱশক্তি ডেকা ঃ— মোৰ প্ৰশ্নটো হৈছে যে উত্তৰ কামৰূপ ডিভিজনটো বৃহত্তম হৈছে আৰু এইটো বৃহত্তম হোৱাৰ কাৰণে ৰাইজে তাৰ পৰা ভাল ফল পোৱা নাই। গতিকে এই বৃহত্তম ডিভিজনটো ৰি-অৰগেনাইজ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী)ঃ— মই কৈছোৱেই যে তাত ৫টা

চাব ডিভিজন ইতিমধ্যে আছেই। যদি ৱৰ্ক লোডে জাচটিফাই কৰে তেতিয়াহলে আমি নিশ্চয় এই সম্পৰ্কে বিবেচনা কৰিম।

শ্ৰীপূৰ্ণ বড়ো :— গড়কাপ্তানী বিভাগৰ সংমণ্ডলৰ কাৰ্য্যালয় স্থাপন কৰিবৰ কাৰণে কি কি ভিত্তিৰ ওপৰত নিৰ্ভৰ কৰা যায় ? আৰু কি কি কনডিচন ফুলফিল কৰিলে সংমণ্ডলৰ পৰা উপ-সংমণ্ডল কৰিব পাৰি ? ৰঙিয়াৰ ৰাইজে যিহেতুকে আবেদন-নিবেদন কৰিছে। গতিকে ৰঙিয়াত এটা সংমণ্ডল স্থাপন কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই গোটেই কথাটো ৱৰ্কলোডৰ ওপৰত নিৰ্ভৰ কৰে। এতিয়াও উত্তৰ কামৰূপত যি ৫টা উপ-সংমণ্ডল আছে সেই ৫টাই যথেষ্ঠ পৰিমাণে কাম কৰি আছে। গতিকে এতিয়া যিহেতুকে কামৰ হেচা বাঢ়ি গৈছে সেইকাৰণে আমি অকল উত্তৰ কামৰূপেই নহয়, সমগ্ৰ দেশৰ সকলো বিলাক ডিভিজন, চাব ডিভিজনকে পুনৰ গঠন কৰাৰ কাৰণে চিন্তা কৰা হৈছে।

শ্ৰীফণী মেধী :— যিহেতুকে প্ৰশাসন চলাবৰ কাৰণে জিলা বিলাকৰ সৰু সৰু ভাগ কৰি বিভাজন কৰা হৈছে। তেনেকৈ গড়কাপ্তানী বিভাগৰ কাম নিয়াৰীকৈ পৰিচালনা কৰাৰ কাৰণে নতুন কিছুমান সংমণ্ডল আৰু উপ সংমণ্ডলৰ কৰাৰ আঁচনিৰ কথা চিন্তা কৰিছে বুলি কৈছে। কিন্তু ব্ৰহ্মপুত্ৰৰ যিবিলাক চৰ অঞ্চল সেই অঞ্চলবিলাকত সংমণ্ডল বা উপ সংমণ্ডল একেবাৰেই নাই। সেই কাৰণে এই চৰ অঞ্চলত সংমণ্ডল বা উপ সংমণ্ডল কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মই ইতিমধ্যে কৈছোৱেই যে আমাৰ গড়কাপ্তানী বিভাগটো আমি পুনৰ গঠনৰ ব্যৱস্থা কৰি আছো। আৰু আৱশ্যক অনুসৰি ডিভিজন আৰু চাব ডিভিজন খোলাৰ কাৰণে

চৰকাৰে চিন্তা কৰি আছে। আৰু চৰ অঞ্চলত ইতিমধ্যে মাষ্টাৰ প্লেন কৰিবলৈ লোৱা হৈছে। এই সম্পৰ্কত আমি চৰ অঞ্চলতো প্ৰয়োজন সাপেক্ষে সংমণ্ডল সৃষ্টি কৰিব লাগিব।

শ্ৰীৰামেন্দ্ৰ দে :— উপাধ্যক্ষ মহোদয়, পি ডাব্লু ডি বিভাগে কাজ কর্ম যে পরিমাণ বেড়েছে এতে আরও সাবডিভিশন হওয়া দরকার এবং সঙ্গে সঙ্গে যেগুলি সাবডিভিশন আছে যেখানে তেমন বেশী রাস্তা নাই অথচ আরও নতুন সাবডিভিশন তৈরী করা হচ্ছে এই ধরণের সিদ্ধান্ত আছে কি? যেমন কাটিগড়া সাবডিভিশনে দেড় ইঞ্চিও ৰাস্তা নাই অথচ করিমগঞ্জ ডিভিশনএর ওয়ান ফোর্থ রাস্তাকে কাটিগড়া সাবডিভিশনে দেওয়া হয়েছে এর কারণ কি?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— কাটিগড়াত এক ইঞ্চিও ৰাস্তা নাই বুলি কোৱাটো সত্য নহয়। আমাৰ আগতে কি হিচাৰে ভাগ কৰিছিল আৰু কেনেধৰণে চাব ডিভিজন কৰিছিল এই গোটেই বস্তুটো আৰু বৰ্তমান কামৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত নতুনকৈ চিন্তা কৰি পুনৰ গঠন কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহন কৰিছো।

বিষয় : দুশটা প্ৰাথমিক স্বাস্থ্য উপকেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ

শ্ৰীহেমেন দাসে সুধিছে :

* ২৯৪। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চলিত বছৰত ৰাজ্যখনত ২০০টা প্ৰাথমিক স্বাস্থ্য উপকেন্দ্ৰ স্থাপন

কৰাৰ প্ৰস্তাৱ চৰকাৰৰ আছে নেকি ?

(খ) যদি আছে, তেন্তে উক্ত উপকেন্দ্ৰ কেইটি স্থাপন কৰা হল নে ?

(গ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

ডাঃ কোষেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৯৪। (ক)— হয়, আছে।

(খ)— সম্পূৰ্ণ হোৱা নাই।

(গ)— সকলো স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ নোহোৱাৰ বাবে।

Re : Public Health Centeres and Sub-Centres

Shri Lakhya Nath Doley asked :

* 295. Will the Minister of State, Health be pleased to state—

(a) The number of new public health centres and sub-centres to be opened in the State within the year 1978-79 ?

( Figures may be shown Civil Sub-division-wise )

(b) The number of existing Public Health Centres

and sub-centres running without Medical Officers ?

(c) The reasons for not posting Pharmacists or Health Assistants to the existing medical sub-centres ?

Dr. Kosheswar Bora (Minister of State, Health) replied :

295. (a)— No new Primary Health centre has been opened in 1978-79. 102 (one hundred and two) sub-centres with staff have been sanctioned up till now in the current year. The number of sub-centre Civil Subdiviiion-wise is shown below :—

| Name of Sub-divn (1) | | Number of Sub-Centre (2) |
|---|---|---|
| 1. Goalpara | ... | 1 |
| 2. Kokrajhar | ... | 9 |
| 3. Dhubri | ... | 2 |
| 4. Gauhati | ... | 2 |
| 5. Nalbari | ... | 3 |
| 6. Barpeta | ... | 2 |
| 7. Mongaldoi | ... | 6 |
| 8. Tezpur | ... | 10 |
| 9. Golaghat | ... | 6 |
| 10. Jorhat | | 2 |
| 11. Sibasagar | ... | 11 |

| | | | |
|---|---|---|---|
| 12. | North Lakhimpur | ... | 6 |
| 13. | Dhemaji | ... | 5 |
| 14. | Dibrugarh | ... | 7 |
| 15. | Tinsukia | ... | 2 |
| 16. | Silchar | ... | 3 |
| 17. | Hailakaudi | ... | 1 |
| 18. | Karimganj | ... | 10 |
| 19. | Nowgong | ... | 10 |
| 20. | Marigaon | ... | 4 |

(b)— Medical Officers have been posted in all Primary Health centres. There is no provisions of posting Medical Officers in sub centres.

(c)— There is no provision of posting of Pharmacist or Health Assitants in sub-centres.

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ২০০টা চাব চেণ্টাৰৰ নিৰ্মাণৰ প্ৰস্তাৱ চৰকাৰৰ আছে যদিও কাম সম্পুৰ্ণ হোৱা নাই। তেখেতে অনুগ্ৰহ কৰি এই ২০০টা চাব চেণ্টাৰৰ নামৰ তালিকাখন দিবনে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— এই ২০০টা চাব চেণ্টাৰৰ ভিতৰত ১৫০ টাৰ কাম চলিত বছৰতেই হব বুলি ধৰা হৈছে আৰু ১০২টা ইতিমধ্যে স্থাপন কৰা হৈছে। নামৰ তালিকাখন সদনৰ মেজত দিম।

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, ২০০ টা চাব চেণ্টাৰৰ

নামৰ তালিকা মই এই কাৰণেই বিচাৰিছো যোৱা বাৰ বিত্ত মন্ত্ৰীয়ে তেখেতৰ বাজেট বক্তৃতাত চলিত বছৰতে ২০০ টা চাব চেণ্টাৰ কৰা হব বুলি কৈছিল। এই পৰিপ্ৰেক্ষিতত মই জানিব বিচাৰিছো যে এই কথাটো সত্য হয় নে নহয় ?

ডাঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— মোৰ লিষ্টখন থাকি আহিল। মই অলপ পিচতে সদনত দিম।

মোঃ ছামচুল হুদা :— মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে চৰকাৰে যোৱা বাৰ ২০৪ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰিম বুলি কৈছিল। এতিয়া কৈছে ১৪৫ টা মান কৰিবলৈ বাকী আছে। এই ১৩৫ টাৰ ভিতৰত ৫টা মানৰ কাৰণেও টকা বাজেটত ধৰিছেনে নাই ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— প্ৰথমতে ২৫০ টা আছিল তাৰে ২০০টা চেংচন কৰা হৈছে। ইয়াৰে আকৌ ১৫০ টা স্থাপন কৰা হব আৰু ১০২ টা ষ্টাফ চেংচন আমি ইতিমধ্যে পাইছো।

Shri Fakrul Islam :— Is it a fact that construction of a large number of centres were completed last year, but no person has been posted and medicine is given there ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, বহুতো চাব-চেণ্টাৰ ঘৰ যদিও তৈয়াৰ হৈছে সেইবিলাক হেল্থ বিভাগক চমজাই দিয়া নাছিল। এতিয়া চমজাই দিয়াৰ পিচত ১০২ টাৰ চেংচন হৈছে। তাত ষ্টাফও গৈছে। সেইকাৰণে চিকিৎসা বিষয়ক গোটেইখিনি

বস্তু দিব পৰা হোৱা নাই। যিখিনি ফেমিলি চাব চেণ্টাৰ আছে সেই-খিনি মেডিকেল চাব চেণ্টাৰ কৰিব পাৰিলে ভাল হয়। এইখিনি উপৰিও আৱশ্যকীয় ঠাইত ফাৰমাচিষ্ট দিয়াৰ কাৰণেও ব্যৱস্থা কৰা হব।

শ্ৰীলক্ষ্যনাথ দলৈ:— অসমৰ কোন স্বাস্থ্য কেন্দ্ৰত ডাক্তৰ নথকাকৈ আছে। ধেমাজি বৰনৈ স্বাস্থ্য কেন্দ্ৰত আজি ৫ মাহ ধৰি ডাক্তৰ নাই, এই বিষয়ে কেবাবাৰো মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল, কিন্তু এতিয়াও তাত ডাক্তৰৰ নিযুক্তি হোৱা নাই।

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী):— প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ প্ৰায় সকলো ঠাইতে আছে। এ পি, এচ, চিয়ে কেণ্ডিডেট এতিয়াও ফাইনেলী চিলেক্ট কৰা নাই। সেইটো হৈ গলেই আমি ৰাজ্যিক চিকিৎসালয় বিলাকত দিব পাৰিম।

শ্ৰীগোলোক ৰাজবংশী:— মন্ত্ৰী ডাঙৰীয়াই যিবিলাক চাব চেণ্টাৰ কৰা হল বুলি কৈছে সেইবিলাক চমজাই নিদিয়াৰ কাৰণে এতিয়ালৈকে লোৱা হব পৰা নাই বুলি কৈছে। এতিয়ালৈকে মন্ত্ৰী ডাঙৰীয়াই কিমান চাব চেণ্টাৰৰ দুৱাৰ মুকলি কৰিলে। জনাবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী):— এতিয়ালৈকে য'ত কৰা হৈছে সেই কেইটাত দিয়া হৈছে।

ডাঃ তাৰিণি দাস:— এই যে চাব চেণ্টাৰ বিলাক আছে সেই বিলাক ষ্টেট দিচপেনচেৰিলৈ ৰূপান্তৰিত কৰা কথা আছিল। সেইবিষয়ে কিবা প্ৰস্তাৱ লৈছেনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী):— তেনেকুৱা প্ৰস্তাৱ এতিয়ালৈকে নাই।

শ্রীফণী মেধী :— মন্ত্ৰী মহোদয়ৰ তথ্যৰ পৰা দেখা গল যে বিভিন্ন জিল্লা, বিভিন্ন মহকুমাত চাব চেণ্টাৰ বিলাকৰ যি সংখ্যা দেখা গৈছে সেইমতে গোৱালপাৰা আৰু হাইলাকান্দিত নাই বুলিয়েই কব পাৰি। এতিয়া কথা হল, এই চাব চেণ্টাৰ বিলাক দিওঁতে জনসংখ্যা ভিত্তিত দিয়া হয়নে নে অইন কিবা ভিত্তিত দিয়া হয়। ইয়াৰ বেচি-চ_টো কি ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— প্ৰত্যেক সমষ্টিতে দুটাকৈ দিয়া হৈছে। তাত একো কম হোৱা নাই। ঘৰ দুৱাৰ বিলাক চমজি নিদিয়াৰ কাৰণে ষ্টাফ যোৱা নাই।

শ্রীনূরুল হুদা :— স্যার, মাননীয় মন্ত্রী মহোদয় বলেছেন যে আগামী ১ বৎসর বা দেড় বৎসরের মধ্যে দুইশতটি নতুন স্বাস্থ্য উপকেন্দ্র তৈরী করা হবে। আমি জানতে চাই যে এই নতুন ২০০ টি স্বাস্থ্য উপকেন্দ্র নিয়োগ করার মতো প্রশিক্ষণ প্রাপ্ত ধাই আমাদের রাজ্যে আছে কি ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— আমাৰ প্ৰশিক্ষণ প্ৰাপ্ত ধাই বেচিহে আছে, প'ষ্ট নোহোৱাৰ কাৰণে আমি ১ বছৰে নিযুক্তি দিব পৰা নাই। আমি আশা ৰাখিছো এই চাব চেণ্টাৰ বিলাক সম্পূৰ্ণ হলে তেওঁলোকক নিযুক্তি দিব পৰা যাব।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— স্বাস্থ্য কেন্দ্ৰ বিষয়ে কব লগীয়া বহুতো আছে। এই যে চাব চেণ্টাৰ বিলাক তৈয়াৰ হবলৈ বাকী আছে সেই বিলাক সম্পূৰ্ণ কিমান দিনৰ ভিতৰত হব। তাৰ নিৰ্দ্দিষ্ট সময় আছে নেকি ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— এই বছৰ ভিতৰত সম্পূৰ্ণ হব

বুলি আঁচনি লৈছে, আৰু আশা কৰিছো এই উপ-স্বাস্থ্য কেন্দ্ৰ সোনকালে হৈ উঠিব। ৰাইজৰ চাহিদা অনুযায়ী এই উপ-স্বাস্থ্য কেন্দ্ৰ যথেষ্ট নোহোৱাত অসুবিধা হৈছে।

### Re : Demands of Assam Engineering Service Association

Shri Noorul Huda asked :

* 296. Will the Minister, Flood Control be pleased to state—

(a) Whether he had assured the Regional Convention of the Assam Engineering Service Association at Jorhat on or about 10th December, 1978 that their demands would be fulfilled by the 31st December, 1978 ?

(b) What are the out standing demands and grievences of the Assam Engineering Service Association ?

(c) Whether the Government have seriously taken note of the demands of the Engineer in so far as Flood Control Department is conceined ?

(d) If so what steps the Government have taken so far or proposed to take so as to reach an amicable settlement with the Engineers ?

Shri Romesh Mohan Kouli ( Minister, Flood Control ) replied :

296. (a) – The Association was assured that their demands will be sympathetically considered but no firm date for their fulfilment was given.

(b)— A list of the demands received from the Assam Engineering Service Association is placed on the table of the House.

(c)— Yes.

(d)— The case is under active corsideration of the Government and efforsts have been made for arriving at an amicable settllement as early as possible.

Shri Noorl Huda :— Sir, the Minister's reply seems to be vague. It is delightfully vague as the Govt. is always in the habit of saying that the "proposals are under active consideration and the demands will be met as soon as possible". May I know at what stage the negotation between the Assam Eegineering Services Association and the Govt. is resting now ? And exactly at what time these demands would be met since these are considered as genuine demands ?

Shri Romesh Mohan Kouli (Minister) :— I would

request the hon. member not to treat my asnwer as vague.

Shri Altaf Hussain Majumdar :-- Will the Minister be pleased to state which of the demands of the Engineering Services Association are considered genuine and which are unjustified ?

Shri Dulal Chandra Baruah (Minister) :— We have examined the demands and found that most of the demands are genuine. On the question of financial implications the negotation is going on. The other day the Association met the Chief Minister and the Chief Minister assured them to remove the gridvances phase-wise. The discussion was very cordial and we have listed the demands on which no financial implication is involved The points relating to structural changes can be implemeted without any financial involvement. The Association has submitted a written note to the Chief Minister on which the Chief Minister has passed orders. Therefore, the question of ignoring the demands therefore, does not arise.

শ্ৰীনগেন বৰুৱা :— আমাৰ যিবিলাক নন-টেকনিকেল ডিপার্টমেণ্ট আছে তাৰ ইঞ্জিনীয়াৰ সকলৰ বিভিন্ন সন্থা হৈছে। আমাৰ ইঞ্জিনীয়াৰীং চার্ভিচেচ এচোছিয়েচনৰ উপৰিও আৰু কেইটামান এচোছিয়েচন আছে। তাৰ বাহিৰেও টেকনিকেল বিভাগ যেনে পাব্লিক হেল্থ ইঞ্জিনীয়াৰিং আদি

যিবিলাক বিভাগ আছে সেই বিভাগ সমূহৰ ইঞ্জিনীয়াৰ সকলৰ দৰমহা, পদোন্নতি আদিৰ ক্ষেত্ৰত বৈষম্য দেখা যায়। এনেদৰে একেটা বিভাগতে থকা ইঞ্জিনীয়াৰ সকলৰ এই বৈষম্য বিলাক থকাৰ কাৰণে তেওঁলোকে অসন্তুষ্টি প্ৰকাশ কৰিছে। এই অসন্তুষ্টি দূৰ কৰিবৰ কাৰণে বিভিন্ন পৰ্য্যায়ত ইঞ্জীনীয়াৰ সকলৰ দৰমহা আৰু পদোন্নতিৰ ক্ষেত্ৰত একে কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই সম্পৰ্কে মাননীয় সদস্য সকলে বহুতো আলোচনা কৰিছে। এইটো কথা সত্য যে কিছুমান ক্ষেত্ৰত তেনে বৈষম্যমূলক নীতিৰ বাবে কোনো বিভাগত কিছুমান ষ্টেগ্‌নেচন যেনে দৰমহা আৰু প্ৰমোচনৰ ক্ষেত্ৰতো তেনেকৈ ১০-১৫ বছৰ এচিচ্‌টেণ্ট ইঞ্জীনীয়াৰ হোৱাৰ পিচত ইঞ্জীনীয়াৰ পদলৈ প্ৰমোচন পোৱা নাই। তাৰ কাৰণে আমি কেবিনেটত আলোচনা কৰি আটাইবিলাক বিভাগতে এই বৈষম্যৰ ভাগ দূৰ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। আমাৰ গড়কাপ্তানী বাই-ৰগেচন বিভাগত যদি এজন মানুহ এচিচটেণ্ট ইঞ্জীনীয়াৰ হৈ থাকে আৰু তেওঁ যদি অন্য বিভাগলৈ যায় তেওঁ একজিকিউটিভ ইঞ্জিনীয়াৰ হৈ গৈছে। সেই গোটেই বিলাক কথা চালি জাৰি চাই আমি এই কথা আলোচনা কৰিছো আৰু যাতে গোটেই ইৰিগেচন ডিপাৰ্টমেণ্টতে এই ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰা হৈছে। আৰু চিলেক্‌চনত যিবিলাক বেমেজালি আছে সেই বিলাক দূৰ কৰিবলৈ বন্দবস্ত কৰা হৈছে। ঠিক তেনেদৰে আসাম ষ্টেট-ইলেক্‌ট্ৰিচিটি বোৰ্ডে ইঞ্জীনীয়াৰ সকলক দৰ্মহা বেচি দিয়াৰ কাৰণে আমাৰ কিছুমান অসুবিধা আহি পৰিছে। উদাহৰণ স্বৰূপে আমাৰ বিভাগতে ১০৯ জন একজিকিউটিভ ইঞ্জীনীয়াৰ আছে। এই কথা মই আমাৰ বিত্ত মন্ত্ৰী মহোদয়ৰ লগত আলোচনা বিলোচনা কৰি এই ষ্টেগ্‌নেচন বিলাক কেনেকৈ নোহোৱা কৰিব পাৰি তাৰ বাবে চিন্তা কৰি আছো।

Shri Altaf Hussain Mazumder :— Mr. Deputy Speaker Sir, when the Minister has said that the Association has been assured that their demands will be sympathetically considered, it is quite appreciable. But there are two categories of demands. In one category there is absolutely no financial implications, which concerned, as for instance, refixation of sincirty all Why so much time should be consumed in procedural matter The Secretary of the Department should the included in the A. E, S Rules. There are officers under suspension for long years. Why those people are not reinstated? They should be reinstated because criminal cases may take even 0 years time. So, this should be considered without wasting any time. I beseech the Minister kindly to see that the demands on which does not involve any financial implications should be met immediatly.

Shri Dulal Chandra Barua ( Minister ) :— Sir, I have already explained that there are two categories of demands, some of them without any financial implications. As I have already told, Government has already decided to implement those demands as early as possible and those cases which involve financial implications are being considerd by the Government in a phased

manner. Sir, we propose to do it in a phased manner.

Shri Premodhar Bora :— Sir, may I know whether the Government is aware of the great disparity in pay and allowances of the engineering staff of the different Government depatment for which discontentment among the engineers is prevailing considering the fact that the engineering graduates working in P. W. D. are not getting the same pay that the Engineering graduates of the Flood Control Department got and also the pay of the Diploma holders working in P. W. D. differs from the pay of Diploma holders working in Irrigation Department. Whether the Government will see that engineers working under the same Government get equal pay ?

Shri Dulal Chandra Barua (Minister) :— Sir, there is no such disparity in respect of engineers and subordinate engineers working under this Government. But the pay of the Assam State Electricity Board is higher than we pay. As I have already told about promotion there has been stagnation. We are now reorganising the departments and we will see that incentive can be given regarding the prospect of promotion.

শ্রীমুকুট শৰ্মা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো

যে চৰকাৰে কোনোফালে সিদ্ধান্ত নোলোৱাৰ কাৰণে আমাৰ গড়কাপ্তানী আৰু ইৰিগেচন বিভাগৰ পৰা বহুতো ইঞ্জিনীয়াৰ প্ৰাইভেট কোম্পানীলৈ গুচি গৈছে। ইয়াৰ ফলত এই বিভাগত বৰ্ত্তমানে প্ৰায় দুশ পোষ্ট খালি হৈ আছে। মোৰ দুই নম্বৰ প্ৰশ্ন আসাম চাৰ্বডিনেট ইঞ্জিনীয়াৰ সকলে তেওঁলোকৰ কিছুমান দাবী লৈ চৰকাৰৰ ওচৰত মেমৰেণ্ডাম চাবমিট কৰিছে। আসাম চাৰ্বডিনেট ইঞ্জিনীয়াৰ কিছুমানে আজি ২০ বছৰে এচ, ডি অ' হৈ আছে। তেওঁলোকৰ এতিয়াও কনফাৰ্মেচন হোৱা নাই। যোৱা ১-১-৭৩ তাৰিখে চৰকাৰে এখন জাননী দি তাৰে এজন এচ ডি অ'ক এচিচটেণ্ট ইঞ্জিনীয়াৰলৈ নমাই অনা হৈছে। এই বিষয়ে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী :— বাহিৰা যি প্ৰতিষ্ঠানে দৰ্মহা বেছি দিয়ে সেই প্ৰতিষ্ঠানৰ লগত ফেৰ মাৰি আমি দৰ্মহা বেছিকৈ দিব নোৱাৰোঁ। কিন্তু ৰিজনেবল কৰাৰ কথা চিন্তা কৰিছো। আনহাতে আমাৰ চাৰ্বডিনেট ইঞ্জিনীয়াৰ সকলৰ দাবীৰ অন্ত নাই। তেখেত সকলৰ বিশেষ দাবী হৈছে দৰ্মহা বঢ়োৱা। ইতিমধ্যে তেওঁলোকৰ দৰ্মহা ৪০০ ৰ পৰা ৯০০লৈ বৃদ্ধি কৰা হৈছে। লগতে কনাৰ্ফামেচন ক্ষেত্ৰতো যি ব্যৱস্থা আছে সেই বিষয়ে চিন্তা কৰা হৈছে। কিন্তু এই বিলাক কাম আমি একে-দিনাই কৰিব নোৱাৰোঁ। এই সকলোবোৰ সময়মতে চিন্তা কৰি চোৱাৰ ব্যৱস্থা কৰিম। Sir. The pay scale of the Assam State Electricity Board in not high but allowance and promotional prospects are high.

বিষয় : মুগা পোক

শ্ৰীবুদ্ধ বৰুৱাই সুধিছে :

*২৯৭। মাননীয় ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মূগা পোক তথা মূগা শিল্প ক্ৰমান্বয়ে বৃদ্ধি হোৱাৰ পৰিৱৰ্ত্তে ক্ষয়-মুখী হৈ অহা কথাটো চৰকাৰে লক্ষ্য কৰিছেনে ?

(খ) যদি কৰিছে, তেন্তে এই মূগা পোক জন্তু, চৰাই, ৰবাতুলী, পৰুৱা আদিৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা অতি সোনকালে চৰকাৰে কৰিবনে ?

শ্ৰীগান্ধীৰাম টিমুং (ৰেচম আৰু বয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

২৯৭। (ক)— হয় কৰিছে।

(খ)— এই বিষয়ে চৰকাৰৰ হাতত বৰ্ত্তমান কোনো কাৰ্য্যকৰী কৰিব পৰা আঁচনি নাই।

শ্ৰীবুদ্ধ বৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়, মূগা পোকবোৰে এই দুই চাল কটাৰ লগে লগে ৰাতিৰ ভিতৰত গোন্ধ ওলোৱাৰ লগে লগেই বাতুলি বিলাক গছৰ ডালত পৰি পাতে পাতে বগাই মূগা পোক খাবলৈ আৰম্ভ কৰে। দিনততো যেন তেন ৰাখিব পাৰি। এনে বিলাক কথাৰ কাৰণে ৰাইজে মূগা পুহিবলৈ এৰি দিছে সেই কথা চৰকাৰে জানেনে ? দ্বীতিয় কথাটো হল গেচ আয়োগ প্ৰকৃতিত গেচবোৰ এৰি দিয়ে আৰু সেই বিলাক চোম গছৰ পাতত লাগে। আৰু সেই বিলাক পাত খাই মূগাৰ পোক বিলাক মৰি যায়। সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ? তৃতীয়তে জাগিৰোডত থকা স্পান মিলটো ৰ'মেটেৰিয়ালৰ অভাবত বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। সেই কথা চৰকাৰে জানেনে ? এইবিলাকৰ কাৰণে চৰকাৰে বিশেষ চিন্তা কৰিব নে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এই বিলাক প্ৰকৃতিৰ কথা গতিকে এই বিষয়ে চৰকাৰৰ বিশেষ আঁচনি নাই। জাগিৰোডৰ যি স্পান মিলটোৰ কথা কৈছে, আপোনালোকক জনাব খুজিছো যে সেইটো ৰ'মেটেৰিয়েলৰ অভাবত বন্ধ হৈ থকা নাই। যোৱা বছৰ তাৰ পৰা আমি ১৮ লাখ টকা প্ৰফিট পাইছো। এই বছৰো তাতকৈ বেছি পাবলৈ আশা কৰিছো।

শ্ৰীঅতুল গোস্বামী :— অসমত কোন কোন ঠাইত কিমান মূগা উৎপন্ন হয়। সেই কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন ঠাইত কম বেচি পৰিমানে মূগা উৎপন্ন হয়। কিন্তু কোন ঠাইত কিমান হয় তাৰ বিশেষ পৰিমানটো বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীফণি মেধী :— মাননীয় উপাধ্যক্ষ মহোদয়; অলপ আগতে মন্ত্ৰী মহোদয়ৰ উত্তৰত কৈছে যে যিহেতুকে বাতুলীৰ সংগ্ৰাম প্ৰাকৃতিক সেই হেতুকে চৰকাৰৰ তৰফৰ পৰা আঁচনি লোৱা সম্ভৱ নহব। কিন্তু ধানৰ ওপৰত পৰা পোক বিলাকো এটা প্ৰাকৃতিক সংগ্ৰাম যদি ধানৰ পোক মাৰিবলৈ আঁচনি লব পাৰি, তেনেহলে বৰবাতুলী মাৰিবলৈ চৰকাৰৰ হাতত আঁচনি নাই কিয় ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— বৰ বাতুলীৰ বিৰুদ্ধে চিন্তা কৰিছো কিন্তু উপায় উলিয়াব পৰা নাই।

শ্ৰীউমেশ দাস :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে, আমাৰ অসমত মূগা ফাৰ্ম কেইখন আছে আৰু কিমান উৎপাদন হয় ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, আমাৰ মূগা ফাৰ্মৰ

ভিতৰত হ'ল চিদ প্ৰডাকৃচন, ৰিএৰিং চেণ্টাৰ, মুগা মালটিপ্লিকেচন চেণ্টাৰ, বেচিক মুগা চিদ ফাৰ্ম আৰু মুগা চাব ষ্টেচন। এই গোটেই বিলাক মুগা ফাৰ্ম।

শ্ৰীচামছুল হুদা :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানেনে যে কিছুমান মানুহে জাল পাতি ধৰি বাছলী খায়। এনেধৰণৰ ব্যৱস্থা চৰকাৰে কৰিব নে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— জাল পাতি বাছলী ধৰি খালেও, ফাৰ্মৰ চাৰিওফালে জাল পাতি বাছলীৰ পৰা ৰক্ষা পোৱাতো সম্ভৱপৰ নহব।

Mr. Deputy Speaker :— Next questions.

### Re : Allegation against Commandants of 4th A. P. Battalion, Haflong

Shri Promode Gogoi asked :

* 298. Will the Chief Minister be plased to state—

(a) Whether it is a fact that the Government hed ordered an enquiry into allegations of corruption and irregularities committed by the Commandants of 4th A. P. Battalion, Haflong during 1969 ?

(d) If so, whether the enquiry report has been sub-

mitted to the Government ?

(c) If so, the action taken by the Government in this regard ?

Shri Golap Borbora ( Chief Minister ) replied :

298 (a)— There was no allegation of corruption and irregularity against the Commandant of the 4th A. P. Battalion. However, there were allegation of irregularities against two Second-in-Command and two Asstt. Commandants.

(b)— Yes.

(c)— Departmental proceedings were drown up ; but on further enquiry procecdings were dropped, save and except against one Asstt, Commandant who has ordered to pay Rs. 120/- to Government.

Shri Promode Chandra Gogoi :— Sir, in reply to Q. No. B, the hon'ble Minister said that enquiries were drawn up. May I know, because at the initial stage departmental proceedings were drawn up and Mr. Lala B. K. Dey was appointed an Enquiry officer, whather that officer submitted any report to the Government ?

Shri Keshab Chandra Gogoi ( Minister ) :— Sir,

enqueiry report was submitted and actions were taken.

Shri Promode Chandra Gogoi :— Sir, the Government appointed two enquiry officers ; initially, Shri Lala B. K. Dey was appointed as enquiry officer, but after this Party came into power, that officer was changed and in his place another Addl. IGP was appointed as enquiry officer, and therefore, I am asking whether the first enquiry officer did submit any report to the Government, and if so, what are the findings of the report of the first enquiry officer ?

Shri Keshab Chandra Gogoi ( Minister ) :— Sir, I have already said that after the final report was submitted, actions were taken. I have submitted that subsequently the proceedings were dropped. I may mention here that further enquiry was made and I would like to inform the hon'ble House that as there is no 'mensrea' ( criminal intention or knowledge, ) the proceedings were dropped.

Shri Promode Chandra Gogoi :— There were two officers appointed by the Government at different stages ; whether the first enquiry officer, Shri Lala B. K. Dey did submit any report to the Government and if so, what are the findings of the report of that officer ; and on what consideration the Government decided to

appoint another enquiry officer in 1978 to go into the allegations ?

Shri Keshab Chandra Gogoi ( Minister ) :— Sir, I have already stated that enquiries were made by the 2 officers, and subsequently another enquiry was made in order to see whether the officers were legally involved and also to find out whether there was any criminal intention or knowledge, and after receipt of the second enquiry report, the proceedings were dropped.

Shri Promode Chandra Gogoi :— Whether any irrergularity were committed by the Second-in-Command of that Battalion.

Shri Keshab Chandra Gogoi ( Minister ) :— Sir, allegations of irregularities were there against some of the Second-in-Commands ; proceedings were drawn up and on receipt of the enquiry report which had gone into to shaw that there was no criminal intention or nowledge of these officers, the proceedings were dropped.

Shri Promode Chandra Gogoi :— Sir, whether a particular businessman, Shri Jaspal Gupta was paid any amount by the Department.

Shri Keshab Chandra Gogoi ( Minister ) :— Sir, I

will collect the information and furnish it to the House.

( The question kept pending )

Undisposed Starred Questions dated 23-3-79

বিষয় ঃ ৫ নং গোৰেশ্বৰ গাৱঁৰ শ্ৰীমুজাৰাম বড়োৰ বন্দুক জব্দ

শ্ৰীপূৰ্ণ বড়োই সুধিছে ঃ

*২৯৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৫নং গোৰেশ্বৰ গাৱঁৰ শ্ৰীমুজাৰাম বড়োৰ SBBL: 498 নং বন্দু-কটো ১৯৭৩ চনৰ নবেম্বৰ মাহৰ ২৩ তাৰিখে জব্দ কৰা হৈছিল নেকি ?

(খ) যদি হৈছিল, কি কাৰণে জব্দ কৰা হৈছিল ?

(গ) উক্ত বন্দুকটো এতিয়াও উভটাই নিদিয়াৰ কাৰণ কি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৯৯। (ক)— হৈছিল, কিন্তু ১৯৭৩ চনৰ ২৩ নৱেম্বৰ তাৰিখে নহয়, ১৯৭৪ চনৰ ২৫ অক্টোবৰ তাৰিখেহে।

(খ)— জন স্বাৰ্থৰ খাতিৰত উক্ত বন্দুকটো জব্দ কৰা হৈছিল।

(গ)— উক্ত বন্দুকটো ওভোটাই দিবৰ কাৰণে শ্ৰীমুজাৰাম বড়োয়ে কোনো আবেদন কৰা নাই।

বিষয় ঃ ধনশিৰি জলসিঞ্চন আঁচনি

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে :

* ৩০০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ ধনশিৰি জলসিঞ্চন আঁচনিত সৰ্ব্বমুঠ ব্যয়ৰ পৰিমাণ (Estimated Cost) কিমান ধাৰ্য্য কৰা হৈছে ?

(খ) উক্ত আঁচনিৰ কামত বৰ্ত্তমান বিত্তীয় বছৰত শেষলৈ (১৯৭৮-৭৯) কিমান টকা খৰছ হব বা হৈছে ?

(গ) এই আঁচনিৰ কাম কেতিয়া সম্পূৰ্ণ হব বুলি ধাৰ্য্য কৰা হৈছে ?

শ্ৰীএ, এফ গোলাম ওচমানী (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩০০। (ক)— ১৫,৮৩ কোটি টকা।

(খ)— এই আঁচনিৰ কামত বৰ্ত্তমান বিত্তীয় বছৰৰ (১৯৭৮-৭৯) শেষলৈ সৰ্ব্বমুঠ প্ৰায় ৭ কোটি টকা খৰছ কৰা হব বুলি অনুমান কৰা হৈছে।

(গ)— এই আঁচনিৰ সম্পূৰ্ণ হোৱাৰ আনুমানিক সময় ১৯৮১ চনৰ অক্টোবৰ মাহ।

বিষয় ঃ চিমেন্ট

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ

* ৩০১। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চিমেণ্টৰ বিতৰণ Statfed এ লোৱাৰ পাচত চিমেণ্টৰ বজাৰত নাটনি হোৱাটো চৰকাৰে জানেনে ?

(খ) এই কৃত্ৰিম নাটনিৰ ফলত ক'লা বজাৰত চৰকাৰী মূল্যৰ তিনি গুণ দামত চিমেণ্ট বিক্ৰী হৈছে বুলিও চৰকাৰে জানেনে ?

(গ) যদি জানে, তেন্তে এই ক'লা বজাৰ বন্ধ কৰাৰ বাবে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩০১। (ক)— পৰিবহণৰ নানা অঁসোৱাহ থকাৰ কাৰণে যথেষ্ট পৰিমাণৰ বিলাতী মাটি আহি নাপায় আৰু তদহেতুকে কোনো সময়ত কোনো কিছুমান ঠাইত বিলাতী মাটিৰ অনাটন সাময়িক ভাৱে হব পাৰে। কিন্তু এই অনাটনৰ মূল কাৰণ ষ্টেটফেডে (STATFED) সৰ্ব্বসাধাৰণৰ ব্যৱহাৰ্য্য এই সামগ্ৰীৰ ব্যৱসায় হাতত লোৱাৰ বাবে নহয়।

(খ)— চৰকাৰে নিৰ্দ্ধাৰণ কৰা মূল্যৰ তিনি গুণ বেছি দামত ক'লা বজাৰত বিলাতী মাটি বিক্ৰী হোৱাৰ কোনো দৃষ্টান্ত পৰিলক্ষিত হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ তেজপুৰৰ আবকাৰী বিভাগৰ চুপাৰিণ্টেণ্ডেণ্ট

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

* ৩০২। মাননীয় আবকাৰী বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইটো সচাঁনে যে ভাৰতীয় দণ্ডবিধি আইন আৰু মাদক দ্ৰব্য নিবাৰণী আইনৰ বিভিন্ন ধাৰাত অভিযুক্ত হৈ পুলিচৰ দ্বাৰা গ্ৰেপ্তাৰ হবলগীয়া হোৱাত তেজপুৰৰ আৱকাৰী বিভাগৰ চুপাৰিণ্টেণ্ডেণ্ট জনক সাময়িকভাৱে কামৰ পৰা নিলম্বিত কৰা হৈছে।

(খ) এইটো সচাঁনে যে পুলিচে উক্ত লোক জনক সুৰাপান কৰি থকা অৱস্থাত পাই তেজপুৰ চিভিল হস্পিতেললৈ ডাক্তৰী পৰীক্ষাৰ কাৰণে পঠোৱা হৈছে ?

(গ) এইটো সচাঁনে সেই সময়ত হস্পিতেলৰ কৰ্ত্তব্যৰত ডাক্তৰজনে একে ধৰণৰ অৱস্থাতেই থকাত তেওঁ দিয়া মেডিকেল ৰিপোৰ্ট গ্ৰহণযোগ্য নহয় বুলি কোৱা হৈছে ?

ডাঃ কোযেশ্বৰ বৰা ( আৱকাৰী বিভাগৰ ৰাজ্যিক মন্ত্ৰী )য়ে উত্তৰ দিছে :

৩০২। (ক)— হয়।

(খ)— হয়।

(গ)— এই ধৰণৰ কোনো তথ্য-পাতি পোৱা নাই।

বিষয় ঃ হাইলাকান্দির রেল যোগাযোগ

শ্ৰীদীপক ভট্টাচাৰ্য্য জিজ্ঞাসা করিয়াছেন :

* ৩০৩। মাননীয় পরিবহন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করে

জানাবেন কি—

(ক) হাইলাকান্দির রেল যোগাযোগের অতি শোচনীয় অবস্থার পরিবর্ত্তনের জন্য আসাম রাজ্য চরকার ভারত চরকারের সঙ্গে যোগাযোগ করেছেন কি ?

(খ) যদি না করে থাকেন, তবে রাজ্য চরকার এ সম্পর্কে ব্যৱস্থা নেবেন কি ?

শ্রীজহিরুল ইচলাম ( পরিবহন বিভাগের মন্ত্রী ) উত্তর দিয়েছেন ঃ

৩০৩। (ক), (খ)— হাঁ, এ সম্পর্কে কেন্দ্রীয় রেল দপ্তরের সঙ্গে যোগাযোগ করা হয়েছে।

(ক), (খ)— ( হয়, এই সম্পৰ্কে কেন্দ্ৰীয় ৰেল দপ্তৰৰ লগত যোগাযোগ কৰা হৈছে। )

বিষয় ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰকৰ আসন

শ্রীমুকুট শৰ্মাই সুধিছে ঃ

*৩০৪। মাননীয় ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী উচ্চ ন্যায়ালয়ত কেইখন বিচাৰকৰ আসন বৰ্ত্তমান খালি হৈ আছে ?

(খ) এই খালি আসন কেইখন পূৰণ কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা

গ্ৰহণ কৰিছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( ন্যায়িক বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩০৪। (ক)— বৰ্ত্তমান গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰকৰ দুখন আসন খালি হৈ আছে।

(খ)— খালি থকা বিচাৰকৰ আসন পূৰণৰ ব্যৱস্থা ভাৰত চৰকাৰে লব।

বিষয় ঃ হাজো উপ-প্ৰতি সমাহৰ্ত্তাৰ অফিচ

শ্ৰীৰবীন্দ্ৰ মালাকাৰে সুধীছে :

* ৩০৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) হাজো উপপ্ৰতি সমাহৰ্ত্তাৰ অফিচ ঘৰটো যথেষ্ট ভাবে আহল-বহল নোহোৱাত এই অফিচৰ কৰ্ম্মকৰ্ত্তা সকলৰ লগতে আমোলা আৰু মণ্ডল সকলৰ আচবাব পত্ৰ আদি ৰখামেলাৰ অসুবিধা হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে উক্ত অসুবিধা দূৰ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(গ) অন্য কোনো ঘৰ বা বৰ্ত্তমান থকা ঘৰটোকে আহল-বহলকৈ নবন্ধা পৰ্য্যন্ত বৰ্ত্তমানে থকা অফিচ ঘৰৰ দক্ষিণ ফালে অন্ততঃ ১২ ফুট বহলৰ বাৰান্দা এখন তৈয়াৰ কৰি এই অভাৱৰ কিছু অংশ হলেও

পূৰণ কৰিব পাৰি বুলি চৰকাৰে জানেনে ?

(ঘ) যদিহে জানে, তেনেহলে এই বিত্তীয় বছৰটোতে এই কাম সমাধা হ'বনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩০৫। (ক)— হয়, জানে।

(খ)— উপায়ুক্ত কাৰ্য্যালয়ৰ পৰা হাজো উপ-প্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয় ঘৰটো বঢ়োৱাৰ কাৰণে কাৰ্য্যবাহী অভিযন্তাৰ লগত যোগাযোগ কৰিছে।

(গ)— গড়কাপ্তানী বিভাগৰ প্ৰস্তাৱৰ ভিত্তিত চৰকাৰে বিবেচনা কৰিব।

(ঘ)— চলিত বিত্ত বছৰত এই কাম হাতত লোৱাৰ সম্ভাৱনা নাই।

### Re : Establishment of a 30 bedded Hospital at Hojai Town

Shri Santi Ranjan Dasgupta asked :

* 306. Will the Minister of State, Health be pleased to state—

a Whether it is a fact that the population of Hojai Mouza according to 1971 census is 59,000 and odds ?

(b) Whether it is also a fact that Hojai town being a Municipal Town had a population of about 23,000 as per 1971 census ?

(c) If so, whether there is any Civil Hospital in any part of the Hojai Mouza or in Hojai town ?

(d) Whether it is a fact that for several years past there was a proposal with the Health Department for establishment of a 30 beded Hospital at Hojai town ?

(e) If so, the steps so far taken by Government in this regard ?

Dr. Kosheswar Bora ( Minister of State, Health ) replied :

306. (a)— The population of Hojai Mouza is 58,679 as per 1971 census.

(b)— The population of Hojai town is 22,769 as per 1971 census.

(c)— No.

(d)— During the year 1977 a proposal for establishment of a 30 bedded hospital at Hojai was received by the Government.

(e)— Due to financial stringency and non-availability

of 30 bighas of suitable land this scheme could not be undertaken so far. However, efforts will be made to overcome these difficulties for establishment of the said hospital.

বিষয় ঃ জজলাইগাঁও বিদ্যুৎ উত্থান জলসিঞ্চন আঁচনি

শ্রীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰীয়ে সুধিছে ঃ

* ৩০৭। মাননীয় ৰাজহ ৰিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কোকৰাঝাৰ মহকুমাৰ জজলাইগাওঁ বিদ্যুৎ উত্থান জলসিঞ্চন আঁচনি সংক্ৰান্তত কিমান বিঘা মাটি অধিগ্ৰহণ কৰা হৈছে ?

(খ) অধিগ্ৰহন হোৱা মাটিৰ ক্ষতিপূৰণ দিয়া হৈছেনে ?

(গ) যদি হোৱা নাই, কেতিয়াকৈ দিয়া হব ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই ৰাজহ বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে ঃ

৩০৭। (ক)— ৬২ বিঘা ২ কঠা পট্টাৰ মাটি অধিগ্ৰহন কৰি ১১-৪-৭৮ তাৰিখে জলসিঞ্চন ৰিভাগক দখল দিয়া হৈছে। উক্ত মাটি অধিগ্ৰহণৰ বাবে এটা গোচৰ ভৰা হৈছে।

(খ)— নাই হোৱা।

(গ)— অধিগ্ৰহণৰ বাবদ প্ৰাক্কলনত জলসিঞ্চন বিভাগৰ পৰা আৱশ্যকীয় ধনৰ মঞ্জুৰী পালে দিয়া হব।

Re : Jeep accident on Natiakhal Bridge

Shri Nishith Ranjan Das asked :

* 308. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that one Shri Sivaji Roy was killed and some other persons were injured by one jeep belongs to Karimganj Police Station on 30th October, 1978 at night on the Natiakhal Bridge in Karimganj Town ?

(b) If so, who was the driver of the jeep ?

(c) Whether Government has taken any steps against that driver ?

(d) If not, why ?

Shri Golap Borbora ( Chief Minister ) replied :

308. (a)— Yes.

(b)— Shri Nanda Bahadur Soner was the driver of the jeep.

(c)— Yes. A case No. 1 (11) 78 u/s 279/338/427/304 IPC was registered against the driver in the Karimganj Police Station and charge sheet has been submitted against him in the court. He has been placed under suspension and departmental proceeding has also

been drawn up against him.

(d)— Does not arise.

Re : Electrification of villages in Barpeta Subdivision

Shri M. Ibrahim Ali asked :

* 309. Will the Minister, Power be Pleased to state –

(a) How many villages have been selected for electrification in Barpeta subdivision under the Rural Electrification scheme of the current financial year ?

(b) Whether any village from the most backward Baghbar constituency has been selected ?

(c) If not, whether the Government will consider the demand of the people to extend electricity to Baghbar Ferry Ghat ( I. W. T. ) via Mondia Development Block ?

(d) If so, when ?

(e) If not, why ?

Shri A. F. Golam Osmani ( Minister. Power ) replied :

309. (a)— 39 villages.

(b)— No.

(c)— Yes.

(d)— The schemes is proposed to be drawn up in 1979-80

(e)— Does not arise.

বিষয় ঃ অগ্নি নির্ব্বাপক বাহিনীৰ গাড়ী চালকৰ বেতন আৰু অন্যান্য সা–সুবিধা

শ্রীশূল বৰাই সুধিছে ঃ

* ৩১০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

ৰাজ্য চৰকাৰৰ অন্যান্য বিভাগত কাম কৰা গাড়ী চালক ( ড্রাইভাৰ ) সকলৰ দৰেই অসম ৰাজ্যৰ অগ্নিনির্ব্বাপক বাহিনীৰ গাড়ী চালক ( ড্রাইভাৰ ) সকলে বেতনৰ হাৰ আদি অন্যান্য ক্ষেত্রত চৰকাৰৰ পৰা কি কি সা-সুবিধা পায় বিশদ ভাবে জনাবনে ?

শ্রীগোলাপ বৰবৰা ( মুখ্যমন্ত্রী ) য়ে উত্তৰ দিছে ঃ

৩১০। ৰাজ্য চৰকাৰৰ সকলো বিভাগত কাম কৰা গাড়ী চালক সকলৰ বেতন হাৰ আৰু অন্যান্য সা-সুবিধা ক্ষেত্রত কিছু প্রার্থক্য আছে। অগ্নি নির্বাপক সংগঠনৰ চালক সকলে পোৱা বেতনৰ হাৰ আৰু অন্যান্য ক্ষেত্রত পোৱা সা-সুবিধা এনে ধৰণৰ :—

১ বেতনৰ হাৰ— ২০৫-৫-২৫৫-ই বি-৬-২৮৫-ই বি-৩২৫ টকা মাহিলী।

| | |
|---|---|
| (২) মৰগীয়া বানচ স্বাস্থ্য বিষয়ক বানচ আৰু ঘৰ ভাৰা ইত্যাদি | নিয়মানুযায়ী অন্যান্য বিভাগৰ গাড়ী চালক সকলৰ সমহাৰত পায়। |

(৩) পৰিপূৰক ভাট্টা— ৫ টকা মাহিলী।

| | |
|---|---|
| (৪) গ্ৰেড (শ্ৰেণী ভিত্তিক) অনুযায়ী মাহিলী পোৱা বিশেষ বেতন। | ১ম গ্ৰেড— ৪০ টকা।<br>২য় গ্ৰেড— ৩০ টকা।<br>৩য় গ্ৰেড— ২০ টকা। |

(৫) বিনামূল্যত সাজ পোছাক দিয়া হয়।

## MISCELLANEOUS

শ্ৰীবীৰেশ মিশ্ৰ :— স্যার, আমার অনেকগুলি পেনডিং কোশ্চেন রয়ে গেছে এবং একটা হাফ এন আওয়ার ডিসকাস্বনের নোটিশ দেওয়া ছিল। সেটা কবে আসবে আমি জানতে পারি কি ?

Mr. Deputy Speaker :— It will be conveyed to you.

Now I have received 3 notices from the hon'ble members who want to raise some important matters. But during the discussion on demand for grants there is no such provision to give preference to such matters. Still the hon'ble Speaker at his discretion has allowed some matters of importance to be raised and out of these 3 I going to allow 2 Matters to be raised, one

by Mr. Narendra Datta and the other by Shri Premodhar Bora.

Shri Noorul Huda :— Sir, I was also informed yesterday that I would be allowed to raise one matter to-day.

Mr. Deputy Speaker :— That will come after 11-30 hrs.

Shri Noorul Huda :— But Sir, I was given to understand yesterday that I would be allowed to raise the matter to-day. You are allowing two others but not me ?

Mr. Deputy Speaker :— As I said you will be allowed to raise it after 11-30 hrs.

Shri Noorul Huda :— But Sir, some are allowed to raise it at 10.00 hrs ?

Mr. Deputy Speaker :— I do not know the way Hon'ble Speaker has said. But so far as I am concerned, if he has asked the hon'ble member to raise the matter I have no objection. I was thinking that you will be allowed to raise it after 11-30 hrs. Anyway, when the hon'ble Speaker has allowed the hon'ble member to raise it I allow you. ( when Shri Phani

Medhi wanted to raise something ) It will come afterwards. Now Mr. Datta please.

Shir Narendra Datta :— Mr. Deputy Speaker, Sir, the State Government Employees Federation is resorting to mass squatting in front of the Janata Bhavan for fulfilment of their 12 point demand including withdrawal of all sorts of victimisation and settling the Central rate of Dearness allowance, improvement of medical facilities, regularisation of service condition etc and many other demands which I do not like to read out. It is a veay regrettable matter that the employees have been compelled to resort to agitational programme like mass squatting etc. I request the Deputy Leader of the House as the Chief Minister is absent to-day to meet the squatters and find out means to fulfil their demand so that such agitational programme like mass squatting can be avoided.

Shri Dulal Chandra Barua :— Mr. Deputy Speaker, Sir, as has been stated by many of the hon'ble members to be frank, I am a by-product of that Association. I know their service condition and I am very much concerned about the difficulty confronting them from time to time. Therefore. I am one with those who have sympathy toward these employees. But I

want to remind my friends, the hon'ble members of the House that as far as I remember, the other day the hon'ble member Shri Datta who has raised this matter to-day gave a very sound statement on this point. There are demands, there will be negotiations, some demands will be fulfilled and some ones will remain pending. This is the order of the day. He was correct in saying that we should not allow the people to suffer. Whatever money we are to get this has to come from the people and that is why our real masters are the people. If the employees think that their master is the Government, I think they are wrong there ; their masters are the people. Therefore, when negotiations are going on, I can assure the House that all possible efforts will be made to fulfil the just, genuine and constitutional demands of the employess. But we must also see to the financial position of the State. Therefore, my appeal to my friends who are now squatting in front of the Assembly Hall that they must bear in mind that the people have been suffering without a drop of drinking water, without medical facilities and what not. I am ready to go and meet my friends there outside the House. But I will appeal to the hon'ble members to see that for such agitational approach our people do not suffer. I have my respect

for my colleague Mr. Datta, Mr. Huda and all the hon'ble members who are conversant with the Trade Union movement; they have got that background. Therefore, while negotiation is going on various matters I appeal to all that the agitational approach should be discontinued. I must tell very frankly that they will have their legitimate demands fulfilled. They had long discussion with the Chief Secretary and we are also ready to discuss the matter and decide it round the table. Sir, we were with them in the past and we are with them now too. Each and every demand may not be fulfilled at a time, but all the legitimate demands wills be fulfilled in a phase manner. Therefore, I appeal to all the hon'ble members to help us to settle the issue fruitfully, as I have said, in a phase manner.

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে—কিছুমান বিষয়ত ফাইনেনচিয়েল লিএবিলিটিৰ প্ৰশ্ন জড়িত হৈ আছে। চৰকাৰী কৰ্ম্মচাৰী সকলৰ কথা বিবেচনা কৰোতে চৰকাৰে ইতিমধ্যে কিছুমান খেলিমেলিৰ সৃষ্টি কৰিছে। জনতা চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পিচত কিছুমান বিষয়া বা কৰ্ম্মচাৰীৰ দৰ্ম্মহা সংক্ৰান্ত খেলিমেলি মীমাংসা কৰিবৰ কাৰণে এনমেলি কমিটিলৈ পঠিয়াই দিয়ে। কিন্তু কিছুমানৰ নপঠিয়াই বিভাগে বেতন বঢ়াই দিয়ে। চৰকাৰেই এইদৰে নিজে বৈষম্য সৃষ্টি কৰিছে। কৰ্ম্মচাৰীয়ে ৫ বছৰ চাকৰি কৰাৰ পিচতো নিগাজী হোৱা নাই। ইয়াৰ কাৰণে ধন খৰচ নহয়। কিয় তেনেবোৰ লোকৰ চাকৰি স্থায়ী কৰা নাই, জনাবনে ?

শ্ৰীতুলসীল চন্দ্ৰ বৰুৱা :— মাননীয় সদস্য সকলৰ লগত মই একমত। মই আগতেই কৈছো যে গোটেই চিচ্‌টেমটো ৰিনভেট কৰিব নোৱাৰি। ইতিমধ্যে চৰকাৰে সিদ্ধান্ত কৰিছে যে আমাৰ যিমানবিলাক ৰোলচ্‌ ৰেগুলেচন আছে সেইবিলাক ৰেডটেপিজিমৰ বাহিৰে একো নহয়। সেইকাৰণেই কাম কৰাৰ ক্ষেত্ৰত যথেষ্ট বাধা হয়। লগতে আমাৰ যিসকল বিষয়া বা কৰ্ম্মচাৰী আছে সেইসকলৰ ভৱিষ্যতে যাতে ষ্টেগনেচন নহয় সেই সম্পৰ্কে মাননীয় সদস্যসকলৰ পৰামৰ্শ আৰু সহযোগীতা কামনা কৰিছো। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই যিবিলাক খুটিনাটি উলিয়াইছে সেইবিলাক আমাৰ চকুত পৰিছে। গতিকে এই সকলোবিলাক আলোচনা বিলোচনাৰ মাজেদি আমি এটা সিদ্ধান্তত উপনিত হব লাগিব।

শ্ৰীনগেন বৰুৱা :— উপাধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অৰ্ডাৰ আছে। মই এই কথা কব বিচাৰিছো যে আমাৰ ৰোলচ'ত আছে ভোটিং অন গ্ৰাণ্ট যি দিনা আনোচনা হয় সেইদিনা এইবিলাক কেচ স্পেচিয়েল হিচাবে হলেও উত্থাপিত হব পাৰে। কিন্তু চৰকাৰী পক্ষ আৰু সদস্য সকলৰ মাজত দীঘলীয়া আলোচনা হব নোৱাৰে। আমি দেখিছো যে পইণ্ট উত্থাপিত কৰাৰ পিচতো দুই পক্ষই যথেষ্ট সময় লৈছে। এনেধৰণে হলে বহুতো মূল্যবান সময় নষ্ট হয়। সেইকাৰণে উপাধ্যক্ষ মহোদয়, আপোনাৰ ফালৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো।

Mr. Deputy Speaker :— The Hon'ble Member has raised the point of order very correctly. He said with the consent of the Speaker. But that does not mean that there will be discussion. Only the matter will be raised; So, I agree with the Hon'ble Member, and

now Mr. Bora.

শ্ৰীপ্ৰেমধৰ বৰা :— উপাধ্যক্ষ মহোদয়, এই কথাটোৰ গুৰুত্ব আৰোপ কৰি উত্থাপন কৰিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ দিছো। কথাটো আমাৰ মাননীয় সদস্যসকলে নজনা নহয় জানে। আজি তিনি চাৰি দিনৰ পৰাই গোটেই অসমৰ প্ৰাথমিক স্কুলৰ শিক্ষক সকলে বিধান সভাৰ সন্মুখত ধৰ্ণা দিছেহি। তেওঁলোকৰ অভাৱ অভিযোগৰ কথা মই নকওঁ। কিন্তু আমাৰ চৰকাৰৰ তৰফৰ পৰা, মন্ত্ৰীৰ গাদীত বহি থকা সকলৰ পৰা, শিক্ষা বিভাগত থকা সকলৰ পৰা শিক্ষকসকলক সহানুভূতিৰে বিবেচনা কৰি আলোচনাৰ কাৰণে তেওঁলোকৰ ওচৰলৈ যাব লাগে। এতিয়ালৈকে সেই শিক্ষক সকলক আমাৰ মন্ত্ৰীৰ দ্বাৰা বা ৰাজ্যিক মন্ত্ৰীৰ দ্বাৰা দেখা কৰা হোৱা নাই। কিন্তু দেখা কৰাৰ আগৰ পৰম্পৰা আমাৰ আছে। গতিকে তালৈ গৈ শিক্ষক সন্থাৰ লগত তেওঁলোকৰ চিনিয়ৰিটি আৰু পেনচন আদিৰ সম্পৰ্কে আলোচনা কৰিবলৈ চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— উপাধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই এই সদনক জনাব খুজিছো যে আমাৰ পক্ষৰ পৰা এটা বিবৃত্তি প্ৰথম দিনাই দিয়া হৈছে। তদুপৰি মই এইটো জনাব খোজো যে সমগ্ৰ অসমৰ শিক্ষক সকলে এই আন্দোলন কৰা নাই। এই আন্দোলন কিছুমান মুষ্টিমেয় লোকৰ দ্বাৰাহে হৈছে আৰু ইতিমধ্যে তেওঁলোকৰ অৰ্থাৎ এই সন্থা সমূহৰ এনে আন্দোলন কৰাৰ দায়িত্ব নাই। আনহাতে যোৰহাট, মাজুলী, শিলচৰ, নগাওঁ আদি ঠাইৰ শিক্ষক সকলে এই কাৰ্য্যক গৰিহণা দি আমালৈ লিখি পঠিয়াইছে। তথাপি মই নিজেও শিক্ষক সম্প্ৰদায়ৰেই মানুহ। তেওঁলোকক কোৱা স্বত্তেও কোনো আলোচনাৰ কাৰণে তেওঁলোকে আমাৰ ওচৰলৈ অহা নাই। গতিকে তেওঁলোকৰ স্বাস্থ্যৰ প্ৰতি মোৰ সহানুভূতি আছে কিন্তু কাৰ্য্যৰ প্ৰতি মোৰ সহানুভূতি

নাই।

Shri Noorul Huda :— It is a matter of great regret that the teachers of Cotton College, Karbi Anglong Diphu College and Haflong Government College have been observing cease work from yesterday. Sir, I do not want to take much time. Their demands are that the UGC scales of pay should be given to the Government College teachers and they should not be encadred with the non technical teachers of the Polytecnic Institutes. These are two major demands which they have put forward before the Government and Sir, these are very genuine demands. Sir, the Cotton Cottege is a very prestigious institution of our State, and there is absolutely no reason why the College teachers of these 3 Colleges should not be given the UGC scales of pay, and I also impressupon the Hon'ble Minister not to treat them as equal with the non technical teachers of the polytechic institutions which are not Degree Colleges. We want the clarification from the Hon'ble Minister.

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— উপাধ্যক্ষ মহোদয়, কটন কলেজৰ শিক্ষক সকলৰ ইউ, জি চি স্কেলৰ কাৰণে কিয় কি দৰে কৰিব লগা হৈছে সেইটো মই নিজেই ধৰিব পৰা নাই। কটন কলেজ, হাফলং কলেজ আৰু ডিফু কলেজত ইউ, জি, চি স্কেল দিবলৈ সিদ্ধান্ত কবিনেটে লৈছে। দুয়োখন কেবিনেটে আগৰ কেবিনেট আৰু এতিয়াৰ কেবিনেটেও এইটো দিবলৈ

সিদ্ধান্ত কৰিছে।

শ্ৰীনুৰুল হুদা :— কেতিয়া ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— বহুদিন আগতেই লোৱা হৈছিল আৰু যদি ৩১ মাৰ্চ্চৰ ভিতৰত এইটো নহয় তেতিয়াহলে মোক ইয়াত নাপাব।

শ্ৰীফনি মেধি :— এইটো যদি নিদিয়ে তেন্তে তেওঁলোকে 'এন কেডাৰ'ৰ পৰা বঞ্চিত হব লাগিব।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— যদি ৩১ মাৰ্চ্চৰ ভিতৰত এই তিনিখন কলেজত এই স্কেল দিব নোৱাৰো তেতিয়াহলে মই স-সন্মানেৰে গাদী ত্যাগ কৰিম।

Shri Dulal Chandra Barua :— With due respect to the Chair, I want to submit that when the Hon'ble Speaker permitted the point to be raised, he pointed out that this should not create a precedence. Therefore, today, it is better to take up the Voting on demand which is very important. So, I appeal to review this matter and take your own decision.

## VOTING ON DEMANDS FOR GRANTS

* শ্ৰীসোনেশ্বৰ বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, কৃষিৰ শিতানৰ মঞ্জুৰী দাবী উত্থাপন কৰাৰ পৰা সমষ্ট ৬ ঘণ্টা কাল মাননীয় সদস্য সকলৰ মুঠ ২৫ গৰাকীয়ে আলোচনাত অংশ গ্ৰহণ কৰি বিভিন্নজনে বিভিন্ন দিশত আলোচনা

* Speech not corrected

আৰু সমালোচনা এই বিভাগক কৰিছে। তেখেত সকলে বহুত বিলাক মূল্যবান পৰামৰ্শ দিছে আৰু সেই মূল্যবান পৰামৰ্শ বিলাক মই নিশ্চয় গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছো। এই কথাও কোৱা হৈছে যে অসমত কৃষি বিভাগ নাথাকিলেও অসমত খেতি হব সচা কথা। অসমত জনতা চৰকাৰ অহাৰ আগতেও খেতি হৈছিল কংগ্ৰেছ চৰকাৰ অহাৰ আগতেও খেতি হৈছিল আৰু বৃটিছ চৰকাৰ অহাৰ আগতেও খেতি হৈছিল আৰু আগৰ ৰজা মহাৰজা সকলৰ দিনতো খেতি হৈছিল। ( ভইচ- আদিম যুগতো খেতি হৈছিল ) আদিম যুগতো খেতি হৈছিল বুলি কোৱানে কৈছে আৰু পৃথিৱীৰ ভিতৰতে অসমত প্ৰথম খেতি হৈছিল বুলি কাহীনি আছে। সদাশিৱ, জনক ৰজাৰ দিনতো অসমত হাল বোৱাৰ কাহীনি আছে। উদ্দালক মনিষীয়ে বাজপেয় যজ্ঞ পাতিছিল বুলি কাহীনি আছে। আৰু সেই উদ্দালকৰ পৰা ওডালগুৰি হৈছে আৰু তাত পৃথিবীৰ ভিতৰতে বেছি ধান খেতি হৈছিল বুলি কাহীনি আছে আৰু কোৰানেও স্বীকাৰ কৰিছে। বড়ো ভাই সকলে প্ৰথম আহুখেতিৰ আবিৰ্ভাব কৰিছিল বুলিও আখ্যান আছে। অসমৰ ভিতৰতে ভাৰতবৰ্ষৰ আটাইতকৈ বেছি চাউল উৎপাদন হৈছিল। কিন্তু আজি সেই কৃষি বিভাগকে মাননীয় সদস্য সকলে পোষ্ট অফিছ বুলি কৈছে। কৃষি বিভাগক কেন্দ্ৰ কৰি গোটেই অসমৰ ভিতৰতে ভাৰতবৰ্ষৰ ৰাজনৈতিক চিত্ৰ, ভূমিনীতি, মূল্যসূচী, উদ্যোগ নীতি নানা নীতি সংযোগ কৰিছে। কৃষি বিভাগ অতি দৰ্কাৰ আৰু সেই কৃষি নহলে আমি কেনেকৈ জীয়াই থাকিম এই কথালৈয়ে কৃষি শিতানৰ পৰিবেশৰ মাজতে বিভিন্ন মাননীয় সদস্যই বিভিন্ন দিশত অনুৰোধ জনাইছে আৰু তাৰ কাৰণে মই সুখী হৈছো। কৃষিৰ ওপৰত আমাৰ মাননীয় সদস্য সকলে যথেষ্ঠ অগ্ৰাধিকাৰ দিছে আৰু তাৰ কাৰনে মই নিজেই সুখী হৈছো। কৃষি মন্ত্ৰী হিচাবে মই অসমত কিবা কৰিব পাৰিম বুলি মোৰ

ওপৰত আশ্বাস ৰাখিছে লগতে মন্ত্ৰী হোৱাৰ পাচতো হাল বোৱা নাঙলত ধৰা কথা উল্লেখ কৰিছে আৰু সমালোচনাও কৰিছে। মন্ত্ৰী হিচাবে নাঙলৰ মুঠিত ধৰাটোত মই নিজে গৌৰৱ অনুভব নকৰো। এয়া মোৰ পূৰ্ব্বৰ পিতা পুৰুষৰ পৰা নাঙলত ধৰি খেতি কৰি আহিছো।

(অধ্যক্ষৰ আসনত সভাপতি বহে)

সভাপতি মহোদয়, ভালেমান মাননীয় সদস্যই নিজে কৃষি পৰিয়ালৰ পৰা অহা বুলিও কৈছে। মই নিজে অকনো লাজ নকৰো। মই এতিয়া-লৈকে আজিলৈকে হালৰ মুঠিতে ধৰি আহিছো মহাভাৰতৰ সুশীগ্ৰ মেদি-নীৰ দৰে খেতি কৰি আহিছো। পিতা পুত্ৰৰ দিনৰে পৰা খেতি কৰি আহিছো অৱশ্যে মোৰ দুদৰামান মাটিও আছে। গতিকে নিজৰ মাটিতে খেতি কৰো। জীৱনত ৫-৬ বছৰৰে পৰা খেতিতে লেটি পেটি কৰি আহিছো তথাপি নিজে গৌৰৱ কৰিব নোখোজো। কিন্তু এইটো ঠিক যে আজি কৃষি বিপ্লৱ কৰি হলেও কৃষিৰ প্ৰতি মানুহক ধাউতি জন্মাবলৈ চেষ্টা কৰিব লাগিব। ভাৰতবৰ্ষৰ ইতিহাসত স্বৰাজৰ দিনৰে পৰা কে এম মুন্সি, ফখৰুদ্দিন আলী আহমেদ বৰ্ত্তমানৰ প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীজগজীৱন ৰাম, ৰফি আহমেদ কিডওৱাই আদি ভাৰতৰ কৃষি মন্ত্ৰী আৰু আমাৰ বিধান সভাৰ মজিয়াতে এতিয়ালৈকে ৬ জন কৃষি মন্ত্ৰীক লগ পাই আহিছো কিন্তু ভাৰতবৰ্ষৰ ভিতৰতে অসমৰ কৃষকৰ হতুৱাই খেতি কৰাই আমাৰ দেশৰ খাদ্য যোগাৰ কৰা এতিয়ালৈকে দেখা নাযায়। মই নিজে যেতিয়া বিৰোধী পক্ষত আছিলো তেতিয়াও কৈছিলো যে ভৱিষ্যতে এনে এটা সিদ্ধান্ত লব লাগে যাতে ভাৰতবৰ্ষই বাহিৰৰ পৰা খাদ্য আনি নাখায়। ভাৰতবৰ্ষৰ ভিতৰতে খেতি কৰাৰ ব্যৱস্থা কৰিব লাগিব। সভাপতি মহোদয়, অসমৰ ইতিহাসত অসমৰ কৃষি সভ্যতা অসমৰ বাহিৰৰ অন্য ৰাজ্যৰ কৃষি সভ্যতাৰ লগত একে নহয়। আজি অসমৰ মানুহৰ স্থাবৰ

অস্থাৱৰ সম্পত্তি, হাঁহ, ছাগলী, গৰু, মহ জেউৰা বা বস্তিয়ে যাৰ ভৰপুৰ তাক সম্ভ্রান্ত পৰিয়াল বুলি কয় আৰু আজিও সেইখন পৰিয়ালকে মানুহে ছোৱালী দিব বা আনিব খোজে। আজি দেশত কৃষি বিপ্লৱ হলে কি দৰ্শনাৱলী লোৱা উচিত হব সেইটো ঠিক কৰিব লাগিব। আমি আমাৰ নিৰ্ব্বাচনি ইস্তাহাৰত যিবিলাক কথা কৈছিলো বিভিন্ন ৰাজনৈতিক দলেও নিৰ্ব্বাচনী ইস্তাহাৰ উলিয়াই খেতিয়কক মাটি দিয়া হব কিন্তু কোনেও অনা খেতিয়কক মাটিৰ পৰা উচ্ছেদ কৰা হব বুলি কোৱা নাই আৰু কোৱাত অসুবিধাও আছে। মই ভাবো আমাৰ কৃষি বিপ্লৱ নিশ্চয় সম্ভব-পৰ হব। আমাৰ যি আজি মাটিৰ সমস্যা সেই সমস্যা ৰাষ্ট্ৰৰ হাতলৈ আনি আৰু ৰাষ্ট্ৰৰ ফালৰ পৰা খেতিয়কক সকলো প্ৰকাৰৰ আধুনিক যন্ত্ৰপাতি দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে কৃষিৰ উন্নতি হব পাৰে। অসমৰ মাটি উৰ্ব্বৰা মাটি, এই মাটিত বতৰৰ অনুকুলে সকলো ধৰণৰ ফছল অতি সহজে হব পাৰে। কিন্তু আজি সেই সুযোগ সুবিধা হেৰাই গৈছে।

গতিকে আমি নতুনকৈ নিয়ম-কানুন, কথা-বতৰা বিলাক ভাবিব লগা হৈছো। সৰু সৰু গোট, তাকৰীয়া বিশৃংখল পূৰ্ণ মাটি অত-তত সিচৰিত হৈ থকা মাটিৰ পৰিয়াল বিলাক একত্রিত কৰি আধুনিক যন্ত্ৰ-পাতিৰে কৃষি কৰিব পৰাতো সম্ভৱ হবনে নহয় এই কথাটো চৰকাৰে বিবেচনা কৰি আছে। অত-তত সিচৰিত হৈ থকা খণ্ড-বিখণ্ড মাটি বিলাক যন্ত্ৰৰ দ্বাৰা চহাই পানী যোগান দিয়া, সাৰ যোগান দিয়া সম্ভৱ হয় নে নহয় চালি-জাৰি চোৱাৰ নিশ্চয় সময় হৈছে। এইবিলাক চালি-জাৰি চাবলৈ যাওঁতে এই কথা সম্ভৱপৰ হব পাৰে যে সৰু-সুৰা খেতি-য়ক সকল একত্রিত কৰি সমূহীয়া সমবায় ভিত্তিত থল উলিয়াই যন্ত্ৰেৰে শিল্প কৰিব পাৰি। মাননীয় সদস্য সকলে পঞ্জাবৰ লগত তুলনা কৰিছে। সচাঁ কথা পঞ্জাবৰ খেতিয়কৰ খেতি বাঢ়িছে। কিন্তু খেতিয়ক কিমান উপকৃত হৈছে তাক ভাবিব লগীয়া কথা। যিবিলাক ধনী ধনী মানুহ

যুদ্ধত চাকৰি কৰি ৰিটায়াৰ কৰা মানুহ তেনেকুৱা মানুহৰ দ্বাৰা খেতিত যন্ত্ৰৰ সুযোগ সৃষ্টি হৈছে। সৰু-সুৰা মানুহে যিটো উপাৰ্জন কৰে সেই উপাৰ্জনটো খাজনা হিচাবে দি ধনী মানুহ বিলাকে মাটি বিলাক আনি সমূহীয়া গোট কৰি যন্ত্ৰৰে খেতি কৰি খেতিৰ ফচল লাভ কৰিছে। দুখীয়া মানুহ বিলাক আকৌ ধনী মানুহ বিলাকৰ ঘৰত কুলি, শ্ৰমিক হৈ গৈছে। তাত এই অৱস্থাতো হৈছে। খাদ্য বস্তু বাঢ়িছে, মূল্য বাঢ়িছে। গতিকে অসমৰ খেতি আৰু খেতিয়ক সকলৰ এই সমস্যা দুটাৰ একেলগে আনিবলৈ যাওঁতে গোটেইটো ৰাজনৈতিক দিশ, অৰ্থ নীতিৰ পৰিবৰ্ত্তিত ব্যৱস্থা, ভূমিনীতি, মূল্যনীতি এই গোটেই বিলাক নিশ্চয় চৰ্চা কৰাৰ আৱশ্যক হৈছে। মাননীয় সদস্য সকলে যি ১৬ কোটি টকা আমি আনিছো সেইখিনিৰ আঁচনি বিচাৰিছে। মাননীয় সদস্য সকলৰ নাম পিচত কম এতিয়া সমূহীয়া কথা বিলাক কবলৈ ওলাইছো যে ওপৰ গধুৰ ব্যৱস্থা এটাৰ কথা কৰ্ম্মচাৰী সকলৰ কথা কৈছে। মই নিজে সেই কথাটো বহুত সময়ত আগতে বিৰোধী দলত থাকোতে কৈছো। আগৰ চৰকাৰৰ গাদীত থকা যিসকল সদস্য আজি বিৰোধী দলত আছে সেই সকলে সমালোচনা কৰা আৰু বাকী সকলে সমালোচনা কৰাৰ মাজত এটা পাৰ্থক্য হব লাগে। আগৰ শাসন গাদীত থকা সকলে নিশ্চয় বাজেট কেনেকৈ হয়, কেনেকৈ আঁচনি কৰা হয় ধন কৰ পৰা কেনেকৈ আহে সেই বিষয়ে কিছু কথা জনা আছে। যিসকল শাসন গাদীলৈ অহা নাই সেই সকলে এই বিষয়ে নাজানে। কিন্তু আগৰ শাসন গাদীত থকা সকলে অৱশ্যে সেই একে ধৰণে বিতৰ্ক কৰিছে। সেইটোৰ এটা পাৰ্থক্য হোৱা হলে তাত বিচাৰি উলিয়াবলৈ ভাল হ'লহেঁতেন। আগৰ মন্ত্ৰী সকলে হয়তো কি কৰা হব গোটেই বিলাক আঁচনি খোলা-খুলি ভাবে সদনত দাঙি ধৰা নাছিল। মই এই ১৬ কোটি টকাৰে কি কৰা হব সেইকথা দাঙি ধৰিব খুজিছো। মাননীয় সদস্য সকলৰ বহু কেইজনে এই টকাৰ

সৰহ ভাগ চাকৰিয়ালৰ দৰমহাত যাব বুলি কৈছে আৰু সৰহ টকা এনেই উটি যাব বুলি কৈছে। গতিকে হিচাব কৰি দেখুৱাব খুজিছো যে চাকৰিয়ালৰ দৰ্ম্মহাত কিমান টকা আৰু অন্যান্য আঁচনিত কিমান টকা যাব। বিনামূলীয়া আৰু ৰেহাই মূল্যত কিমান দিব খুজিছো, এই গোটেই বিলাক হিচাব দাঙি ধৰিব খুজিছো। দুৰ্নীতি সম্পৰ্কত বহু কেইজন সদস্যই কৈ গৈছে। মাননীয় সদস্য শ্ৰীএ এন আক্ৰাম হুচেইন ডাঙৰীয়াই কৈছে যে নাৰিকল কেৰেলালৈ যোৱাৰ নামত ৰেংগলৰ পৰা নাৰিকল কিনিছে। তাৰ তদন্ত কৰা হৈছে। বিধান সভাত প্ৰশ্নৰ সন্দৰ্ভত সেই বিলাক অনা হৈছে আৰু তাৰ তদন্ত কৰা হৈছে। কথাখিনি ঠিক তেনেকুৱা নহয়, এই কথাটো যোৱাবাৰ উত্তৰ দিয়া হৈছিল। লিখিত উত্তৰ দিয়া হৈছিল। তাৰ ব্যৱস্থা লৈছো। শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই চিদ কৰপৰেচন আৰু এগ্ৰো-ইণ্ডাষ্ট্ৰিৰ দুৰ্নীতিৰ কথা কৈছে। চিদ কৰপৰেচন, এগ্ৰো-ইণ্ডাষ্ট্ৰিৰ সঞ্চালক মণ্ডলীৰ বৰ্ডে তদন্ত কৰি আছে। তদন্তৰ ৰিপোৰ্ট পোৱা নাই। সেই ৰিপোৰ্টৰ পৰিপ্ৰেক্ষিতত আৱশ্যকীয় চৰকাৰী তদন্ত কৰা হব। মই নিজে গম পাইছো সেই দুটা বিভাগত অতীত কালত দুৰ্নীতি হৈছিল আৰু এগ্ৰো-ইণ্ডাষ্ট্ৰিৰ ১৯৭২ চনৰ হিচাব হোৱা নাই বুলি কৈছে। ১৯-৭২ চনৰ অদিট সম্পূৰ্ণ হৈছে আৰু ১৯৭৩-৭৪ চনৰ অদিট সম্পূৰ্ণ হোৱা নাই। ১৯৭৩-৭৪ চনৰ অদিট ৰিপোৰ্ট সম্পূৰ্ণ বিবেচনাধীন হৈ আছে। অদিট কৰাৰ নিয়ম আছে যে এবছৰৰ অদিট ৰিপোট প্ৰকাশ নকৰিলে দ্বিতীয় বছৰৰ অদিট নকৰে। ১৯৭৮ চনৰ অদিটৰ হিচাব পত্ৰ যোগাৰ কৰা হৈছে। সেইখিনি আপোনালোকে সময় মতে পাব। এই বছৰ মুঠ টকাৰ ভিতৰত ৰেহাই আৰু বিনামুলীয়া ব্যৱস্থাত কিমান খটুৱাব খুজিছো তাক জনাব বিচাৰিছো। তাৰ ভিতৰত বানপ্ৰপীড়িত অঞ্চলৰ আঁচনিত বিনামূলীয়া সাৰ, সচ আদি ব্যৱস্থাত শতকৰা ২৫ ভাগ আৰু ৰেহাই মূল্যত শতকৰা ৫০ ভাগ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

বানপ্ৰপীড়িত অঞ্চলত বিনামূল্যত ২'৫০ লাখ টকা আৰু ৰেহাই মূল্যত ১৫ লাখ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। জৈৱিক সাৰ আঁচনিত বিনামূল্যে ১'৫০ লাখ টকা ৰেহাই মূল্যত ১ লাখ টকা, ৰাসায়নিক সাৰ বিতৰনত ৫ লাখ বটা ৰেহাই মূল্যত, অধিক শস্য উৎপাদন আঁচনিত বিনামূল্যে ১ লাখ টকা, ৰেহাই মূল্যত ৭ লাখ টকা ঘেঁহুৰ বীজ বিতৰনত ৰেহাই মূল্যত ১৭ লাখ টকা, মাকৈ বীজ বিতৰণত ৰেহাই মূল্যত এক লাখ টকা, প্ৰদৰ্শনীমূলক খেতিত বিনামূল্যে ১০ লাখ টকা আৰু ৰেহাই মূল্যত ৮ লাখ টকা, শস্য সংৰক্ষণ আঁচনিত বিনামূল্যে ১০ লাখ টকা ৰেহাই মূল্যত ১৫ লাখ টকা, সৰিয়হ খেতিৰ আঁচনিত বিনামূলীয়া এক লাখ টকা আৰু ৰেহাই মূল্যত আঠ লাখ টকা, মৰাপাটৰ আঁচনিত বিনামূলীয়া একলাখ টকা আৰু ৰেহাই মূল্যত ৫ লাখ টকা, কুঁহিয়াৰ আঁচনিত বিনামূলীয়া একলাখ টকা আৰু ৰেহাই মূল্যত আঠলাখ টকা, কপাহৰ আঁচনিত কপাহ খেতিত উদগনি দিয়া আঁচনিত বিনামূলীয়া ২৫ হাজাৰ টকা আৰু ৰেহাই মূল্যত ৫০ হাজাৰ টকা, কৃষি সজুলীত বিনামূলীয়াভ এক লাখ টকা আৰু ৰেহাই মূল্যত ১০ লাখ টকা, ফলমূলৰ আঁচনিত বিনামূলীয়া দুই লাখ টকা, দাইলৰ আঁচনিত বিনামূলীয়া একলাখ টকা আৰু ৰেহাই মূল্যত তিনি লাখ টকা, জনজাতীয় উন্নয়ণত বিনামূলীয়া দহ লাখ টকা আৰু ৰেহাই মুল্যত ৯০ লাখ টকা, অনুসূচীত জাতি উন্নয়ণত বিনামূলীয়া এক লাখ টকা আৰু ৰেহাই মূল্যত ২০ লাখ টকা দিয়াৰ ব্যৱস্থা লৈছো। মুঠ বিনামূলীয়াত ৪৩'৪০ লাখ টকা আৰু ৰেহাই মুল্যত ২২১'৫০ লাখ টকা ইতিমধ্যে লৈছো। কৃষি বিশ্ববিদ্যালয়ত অধ্যাপকৰ দৰ্মহাত খৰচ হোৱা টকাৰ পৰিমাণ নিয়মীয়া প্লেন আৰু নন্-প্লেনত এই বছৰ ৮০ লাখ টকা ধৰা হৈছে। অসমত যি কেইখন কৃষি পাম আছে সেই বিল্লাকত বেৰ আৰু জলসিঞ্চনৰ ব্যৱস্থা নাই। গতিকে ইচ্ছা থকা স্বত্বেও খেতি কৰিব পৰা নাই। যিখিনিৰ বেৰ ভাঙি গৈছে সেই কেইখন হল—

গোৱালপাৰা জিলাৰ বালিজাৰা আৰু বৈতামাৰি, কামৰূপ জিলাৰ— বামুনিগাওঁ, বৰগাওঁ, নকুচি, মন্দিয়া আৰু জালুাহ, নগাওঁ জিলাৰ বৰমা, লাওখোৱা, শিৱসাগৰ জিলাৰ— কুন্দৰ গাওঁ, মাধপুৰ, দৰং জিলাৰ— দিপতা, জামুগুৰি, চাৰদুৱাৰ, চামুৱাপাৰা হাৰিগাওঁ, মাজিকুচি, ডিব্ৰুগড় জিলাৰ— ফিলবাৰি, প্ৰাভজান, লক্ষীমপুৰ জিলাৰ- ৰঙতি, চুকুলিবৰীয়া, কাছাৰ জিলাৰ- মহাকাল, চালচাপৰা। এই কেইখন প্ৰামত্ জলসিঞ্চন আৰু নলা-নৰ্দমা আৰু বেৰা দিয়াৰ ১১ লাখ টকাৰ আঁচনি গ্ৰহণ কৰা হৈছে।

অসমৰ কৃষি বিভাগৰ অধিনত বিভিন্ন বিষয়া ( সঞ্চালকৰ পৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীলৈকে ) কিমানজনে কাম কৰি আছে, দৰমহাৰ নিৰিখ আৰু কিমান টকা দৰমহা দিওঁতে ব্যয় হয়, ভ্ৰমন বানচ আৰু গাড়ীৰ মেৰামতি আৰু উন্নণমূলক আঁচনিত কিমান টকা খৰচ হল তাৰ হিচাবটো শুনিলে আপোনালোকে ভাল পাব।

মুঠ কৰ্মচাৰীৰ সংখ্যা হৈছে ৫৩৫০ জন। তাৰ ভিতৰত সঞ্চালক এজন, অতিৰিক্ত সঞ্চালক তিনিজন, যুটীয়া সঞ্চালক ১৩ জন, উপ-সঞ্চালক ১৩ জন, জিলা কৃষি বিষয়া ১১ জন, ফিল্ড ট্ৰায়েল ইনচাৰ্জ ৬ জন, অসম কৃষি সেৱা ১ম শ্ৰেণী ২৭ জন, দ্বিতীয় শ্ৰেণী ৪৮ জন, অসম কৃষি সেৱা দ্বিতীয় শ্ৰেণী ( মহকুমা কৃষি বিষয়া ) দ্বিতীয় শ্ৰেণী ১৫৪ জন, সম্প্ৰসাৰণ বিষয়া ৫৯৫ জন, গবেষণা বিষয়া ১ জন, পঞ্জিয়ক ২ জন, প্ৰশাসন বিষয়া ২ জন, নিম্নবৰ্গ কৃষি সেৱা বিষয়া ৩৭২ জন, কৃষি প্ৰদৰ্শক বিষয়া আৰু গ্ৰাম সেৱক ২৪১০ জন, তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী ( মিনিটিট্ৰয়েল ) ৪৪৪ জন, তৃতীয় শ্ৰেণীৰ বিষয়া ৭৬০ জন আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ৪৮৯ জন। আমাৰ মুঠ বাজেটখনৰ শতকৰা ২৩ ভাগ টকা দৰমহাত যাব আৰু শতকৰা ৭৭ ভাগ কৃষি উন্নয়ণ আঁচনিত খৰচ হব। এই গোটেই সংখ্যাটো হিচাব কৰা হৈছে পঢ়িলে কিছু সময় লব। অসমৰ বাহিৰেও

বিভিন্ন ৰাজ্যৰ হিচাব আমি পাইছো ।

হাৰিয়ানা— ধান— ৩,৩১,০০০ ( মুঠ কালিৰ পৰিমাণ )

মুঠ উৎপাদন— ৮,১৭,০০০

প্ৰতি হেক্টৰত উৎপাদন— ২,৪৬৮ ( কিলোগ্ৰাম ) ।

ঘেহু— ১৩,৪৯,০০০ ( মুঠ কালিৰ পৰিমাণ )

মুঠ উৎপাদন — ২৭,৩১,০০০

২,০২৪ (প্ৰতি হেক্টৰত উৎপাদন, কিলোগ্ৰাম ) ।

দাইল— ৭৩,৩০০ ( মুঠ কালিৰ পৰিমাণ, হেক্টৰ ) ।

মুঠ উৎপাদন— ৪২,৭০০

৫৮৩ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

পাঞ্জাব— ধান ৬,৭৪,০০০ ( মুঠ কালিৰ পৰিমাণ হেক্টৰ )

১৭,৪১,০০০ ( মুঠ উৎপাদন, টন ) ।

২,৫৮৩ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

ঘেহু— ২৫,৭৯,০০ ( মুঠ কালিৰ পৰিমাণ হেক্টৰ )

মুঠ উৎপাদন— ৬২,৭২,০০০

২,৪৩২ (প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

দাইল— ৪২,২০০ ( মুঠ কালিৰ পৰিমাণ হেক্টৰ )

১৯,১০০ ( মুঠ উৎপাদন টন )

৪৫৩ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

পশ্চিমবঙ্গ ধান— ৫২,০২,০০০ ( মুঠ কালিৰ পৰিমাণ হেক্টৰ )

৫৮,৯৫,০০০ ( মুঠ উৎপাদন )

১,১৩৩ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

ঘেহু— ৫,৬৫,৩০০ ( মুঠ কালিৰ পৰিমাণ হেক্টৰ )

১১,২৪,২০০ ( মুঠ উৎপাদন )

২,়০০ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

দাইল— ৬,০৬,২০০ ( মুঠ কালিৰ পৰিমান হেক্টৰ )

১১,৮৭,২০০ ( মুঠ উৎপাদন টন )

২.১০০ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

মৰাপাট— ৪ ৪০.৬০০ (মুঠ কালিৰ পৰিমান হেক্টৰ )

৩৪,৭৩,৪০০ ( মুঠ উৎপাদন টন )

১,৪১৯ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

উৰিষ্যা-ধান— ৪৩,৭৯ ৫০০ ( মুঠ কালিৰ পৰিমান হেক্টৰ )

৩২,১৭,৭০০ ( মুঠ উৎপাদন টন )

৭৩৫ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

ঘেহু— ৫৫.৪০০ ( মুঠ কালিৰ পৰিমান হেক্টৰ )

৮৭,৭০০ ( মুঠ উৎপাদন টন )

১,৫৮৩ ( মুঠ উৎপাদন কিঃ গ্ৰাঃ হেক্টৰ )

দাইল— ৮,৯৮,৬০০ ( মুঠ কালিৰ পৰিমান হেক্টৰ )

৩,১৯,৩০০ ( মুঠ উৎপাদন টন )

৩৫৫ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

মৰাপাট— ৪৬,৫০০ ( মুঠ কালিৰ পৰিমান হেক্টৰ )

৪,০৪,৫০০ ( মুঠ উৎপাদন টন )

১,৫৬৬ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

অসম-ধান— ২২,৮৫.৫০০ ( মুঠ কালিৰ পৰিমান হেক্টৰ )

২১,৩৩,০০ ( মুঠ উৎপাদন টন )

৯৩৩ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

ঘেহু— ৬৪,৪০০ ( মুঠ কালিৰ পৰিমান হেক্টৰ )

৭১,০০০ ( মুঠ উৎপাদন টন )

১,১০২ ( প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ )

দাইল— ৮৫,৬০০ (মুঠ কালিৰ পৰিমান হেক্টৰ)
৩২,২০০ (মুঠ উৎপাদন টন),

অসম— দাইল— ৩৭৬ (প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ)

মৰাপাট— ১,০৫,০০ (মুঠ কালিৰ পৰিমান হেক্টৰ)
৭,০৩,৯০০ (মুঠ উৎপাদন টন)
১,২০৩ (প্ৰতি হেক্টৰত উৎপাদন কিঃ গ্ৰাঃ)

শ্ৰীমহম্মদ ওমৰুদ্দিন :— উপাধ্যক্ষ মহোদয়, তেখেতে যি পৰিমানৰ হিচাব আমাক দিছে সেইটো চাউলৰ হিচাব নে ধানৰ হিচাব ?

* শ্ৰীসোনেশ্বৰ বৰা :— এইটো চাউল বুলি দেখুওৱা হৈছে। আৰু আছে মই নপঢ়ো। পঢ়িলে বৰ দীঘলীয়া হব।

আমাৰ অসমত এচ, এ, ডি আঁচনি মতে গোৱালপাৰা, কামৰূপ নগাওঁ আৰু কাৰ্বি আংলং এই জিলা চাৰিখন ধৰা হৈছে। ইয়াৰ জৰিয়তে ভূমিহীন পৰিয়ালৰ মাজত প্ৰচাৰ চলাবলৈ চেষ্টা কৰা হৈছে। কালি এগৰাকী মাননীয় সদস্যই বেনৰ আঁচনিৰ কথা কৈছিল। ডঃ বেনৰ বুলি এজন মানুহ আৰু এই আঁচনিখন তেখেতে দিয়া আঁচনি।

শ্ৰীচামচুল হুদা :— এই আঁচনি অসমত সফল হৈছে নেকি ?

* শ্ৰীসোনেশ্বৰ বৰা :— হৈছে নেকি কব নোৱাৰো কিন্তু এটা কাম হলে ভাল হৈছে। ডি, এল, ই পি, ডব্লিউ, ডি আদিয়ে কৰিব নোৱাৰা কাম এই আঁচনি মতে অসমত কিছু হৈছে। বেনৰ হৈছে মানুহ, খেতিয়কৰ মাজত থাকি এই আঁচনি কেনেকৈ কামত লগাব পৰা হয় সেই কথা তাত জৰিত আছে, ইয়াৰ লগত টকা পইচাও আছে। কালি

* Speech not corrected

বুদ্ধ বৰুৱাই জাপানী পদ্ধতিৰ কথা কৈছে। উপাধ্যক্ষ মহোদয়, জাপানী পদ্ধতিটো হৈছে শাৰী শাৰীকৈ ৰোৱা কৃষি প্ৰণালী। ডাকৰ বচনত এনেকুৱা কথা আছে— ঘনাই ঘনাই দিবা আলি যদি নহয় শালী, ডাকক পাৰিবা গালী। আমাৰ দেশত এতিয়া আন একো নহয়। আচলতে কৃষক সকলক কৃষিৰ লগত জৰিত কৰি ৰাখিব পৰা এটা আঁচনিহে।

মঃ চামচুল হুদা :— চৰকাৰে ডাকৰ বচন মতে চলিছে। কিন্তু অফিচাৰ সকলক চলাব পৰা ব্যৱস্থা কৰিছে জানো?

* শ্ৰীসোনেশ্বৰ বৰা :— মাননীয় সদস্য সকলৰ অনুভৱটো মই বুজি পাইছো।

শ্ৰীনৰেণ দত্ত :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বেনৰ আঁচনিখন কামৰ লগত জৰিত থকা আঁচনি এইটো বোধহয় ভুল হৈছে। এই আঁচনি মতে খেতিয়ক সকল কোনো কামৰ লগত জৰিত নহয়। এই আঁচনি মতে এজন এচ, ডি, অ থাকিব তেওঁৰ তলত দুজন তলতীয়া অফিচাৰ থাকিব (চাবজেক্ট মেটাৰ স্পেচিয়েলিষ্ট) তেওঁৰ তলত ভিলেজ লেভেল একস্টেনশ্যন অফিচাৰ থাকিব। ৮০০টা পৰিয়ালেৰে একোটা গোট তাৰোৱা আকৌ ১০০ টা পৰিয়ালেৰে একোটা গোট কৰা হয়। কেইমাহ মানৰ মুৰে মুৰে তেওঁলোকে গৈ এই মানুহখিনিক পৰামৰ্শ দিয়া হব। এনেদৰে অসমৰ কৃষি উৎপাদন বাঢ়িব নোৱাৰে।

* শ্ৰীসোনেশ্বৰ বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, বেনৰ আঁচনিটো মই একমাত্ৰ কামৰ আঁচনি বুলি কোৱা নাই। এই আঁচনিখন হৈছে খেতিয়কক কামত লগোৱাৰ আঁচনি। এই বিলাকৰ বেনৰ লগত সম্পৰ্ক আছে। এই কথা আমি হিচাব কৰি দেখিছো। মাননীয় সদস্য সকলে কৃষিৰ সম্পৰ্কত শিক্ষা নীতিৰো সমালোচনা কৰিছে। আমাৰ

* Speech not corrected

এজন ল'ৰা বা ছোৱালী স্কুলত ভৰ্তি কৰাৰ সময়ত স্কুলত শিক্ষকে মাক-বাপেকক কয় যে ঘৰুৱা কামত নলগাব। ঘৰুৱা কামত লগালে ল'ৰা ছোৱালী পঢ়া শুনাত বেয়া হব। এটা ল'ৰাই ১৬-১৭ বছৰত মেট্ৰিক পৰীক্ষা দিয়ে। তেওঁলোকক এখন ধান খেতিৰ ৰচনা লিখিবলৈ দিব তাত নং থাকিব ১৫ বা ২০ নম্বৰ। তাতে আৰু এটা কথা থাকিব 'নাইবা' তুমি ভালপোৱা এজন বন্ধু বা বান্ধবীলৈ এখন চিঠি লিখা। গতিকে ল'ৰাই ধান খেতিৰ ৰচনা নিলিখাকৈয়ে বন্ধুলৈ চিঠি লিখি পৰীক্ষাত পাচ কৰে। আকৌ দিব তুমি গৰুৰ বিষয়ে এখন ৰচনা লিখা। নম্বৰ ৫ বা ৭ থাকিব। তাতে আকৌ থাকিব 'নাইবা' তলৰ শব্দ-কেইটাৰে বাক্য ৰচনা কৰা। গতিকে কৃষকৰ ল'ৰাই শতকৰা ৭০-৮০ নম্বৰ পাব নোৱাৰে। আনকি আমি এইটো কথাও দেখিবলৈ পাইছো যে কৃষি বিশ্ব-বিদ্যালয়ত পঢ়াৰ কাৰণে ল'ৰাটো যে খেতিয়কৰ ল'ৰা চাৰ্টিফিকেটৰ কাৰণে এম, এল এ সকলৰ ওচৰলৈ আহে। আমিও চাৰ্টি-ফিকেট দি দিওঁ। বাপেক যে খেতিয়ক সেইটো কথা আমি জানো। কিন্তু ল'ৰাটো যে খেতিয়ক হয় নে নহয় সেইটো কথা আমি নাজানো। তাত যিটো ইণ্টাৰভিউ লোৱা হয়, তাত যদি সুধিলেহেঁতেন 'তোমালোকে এইবাৰ কি চাউলৰ ভাতেৰে নো খালা, এইবাৰ কি কি ধানৰ কঠিয়া তোমালোকে পাৰিবলৈ লৈছা, এই ধৰণৰ কথা যদি সুধিলেহেঁতেন তেতিয়া-হলে ল'ৰাটো সচাকৈ খেতিৰ জ্ঞান আছে নে নাই নিশ্চয় ওলাই পৰিলে-হেঁতেন। কিন্তু তাকে নকৰি আমাৰ এম, এল, এ,ৰ চাৰ্ট্ৰিফিকেটৰ ওপৰতে কোটা দি দিয়ে। যিবিলাকে শাওণ মাহত কাণৰ লতিত হাল বোৱা মাটিৰ বোকা লৈ স্কুললৈ আহে সেইবিলাক ল'ৰাই কেতিয়াও শতকৰা ৭০-৮০ ভাগ নম্বৰ পাব নোৱাৰে। যিবিলাক ল'ৰাই হাঁহ, কুকুৰা, গাহৰী পোহে, বজাৰত বিক্ৰী কৰে সেই বিলাক ল'ৰাই পশু কলেজত পঢ়িবলৈ নাপায়। সেইকাৰণে আমি কৃষি বিদ্যালয় পতাৰ কথা চিন্তা কৰিছো।

আমি কৃষি বিদ্যালয় পাতি লৰা বিলাকক কৃষিৰ প্ৰতি ধাউতি আনি দিব বিচাৰিছো। এই বিষয়ে আমি এখন কমিটি কৰি দিছো। অৱশ্যে এই কমিটিৰ প্ৰতিবেদন মই ভালপোৱা নাই।

শ্ৰীছাংচুঙ্গ হুদা :— যিসকল আগৰে পৰাই চলাই আছে সেই-সকলক প্ৰতিবেদন দিবলৈ কোৱা হৈছে। কেনেকৈ ভাল প্ৰতিবেদন দিব পাৰিব ?

* শ্ৰীসোনেশ্বৰ বৰা :— ভাল, শুদ্ধ অশুদ্ধ যিয়েই নহওক আমি চেষ্টা কৰি আছো। অসমত বেনৰ আঁচনি খন বিশ্ব বেংকৰ লগত লগ কৰি অসমত কৃষি উন্নয়ণৰ কাৰণে লোৱা হৈছে। এইখন ১৪'৮৬ কোটি টকাৰ আঁচনি। ইয়াত ১'৬৪ কোটি টকা আমেৰিকান ডলাৰ আৰু বিশ্ব বেংকৰ ঋণ হৈছে ৮০ লাখ টকা। ৰাজস্থানত দেখা গৈছে মুল শিতানত ২৩'৯০ কোটি টকা, বিশ্ববেংকৰ ঋণ প্ৰকল্পত শতকৰা ৪৯ ভাগ অৰ্থাৎ ১'৩০ লাখ টকা। মধ্যপ্ৰদেশৰ চম্বল এৰিয়াতো এনেকুৱা আঁচনি লোৱা হৈছে। ইয়াত কৃষি সম্প্ৰসাৰণৰ কাৰণে বেনৰ আঁচনিত ৪ কোটি ৬৯ লাখ টকা। বিশ্ব বেংকৰ ঋণ হৈছে ২ কোটি ৪০ লাখ টকা। সেইদৰে হাৰিয়ানা, গুজৰাট, উৰিষ্যা, বিহাৰ, কৰ্ণাটকতো বেনৰ আঁচনি লোৱা হৈছে। পশ্চিমবঙ্গ চৰকাৰেও বেনৰ আঁচনি লৈছে। পশ্চিমবঙ্গ চৰকাৰে বিশ্ব বেংকৰ সাহায্য লৈছে। এই আঁচনিৰ নাম হৈছে পশ্চিমবঙ্গ কৃষি উন্নয়ণ আঁচনি। ইয়াত মুঠ ৬'৭০ কোটি টকা। বিশ্ব বেংকৰ ঋণ হৈছে ৩'৪০ কোটি আমেৰিকান ডলাৰ। আমেৰিকান এক ডলাৰ সমান ভাৰতীয় ৮'২০ টকা। বেনৰ কৃষি সম্প্ৰসাৰণ আঁচ-নিত ৪০ লাখ টকা ধৰা হৈছে। গতিকে অসমৰ বাহিৰেও হৰিয়ানা,

* Speech not corrected

গুজৰাট, ৰাজস্থান আদি বিভিন্ন প্ৰদেশতো এই আঁচনি লোৱা হৈছে। সেইবোৰ আঁচনিৰ জৰিয়তে অসম কৃষি বিশ্ববিদ্যালয় বিশ্ববেংকৰ সাহায্যত চলিছে। ইয়াত সকলো ধৰণৰ ৰাজনৈতিক মতবাদৰ লৰাই পঢ়ি আছে। আমাৰ শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে কৈছে যে কৃষি কলেজত ব্যাপক ভাবে খেতি কৰি চাব লাগে। মই এই সম্পৰ্কত কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, অধ্যক্ষ, আৰু ছাত্ৰ প্ৰতিনিধি সকলৰ লগতো আলোচনা কৰিছিলো। তাত ৬ বছৰ পঢ়ি পাচ কৰি অহা লৰাই চাকৰী কৰাৰ সময়ত খেতিয়কৰ লগত লগ লগাই দিব লাগে। আৰু এইটো পৰামৰ্শও দিছিলো যে ৫-১০ জনকৈ লৰা লগ লগাই সৰু সৰু ঘৰত ৰাখি নিজে ৰান্ধি বাঢ়ি খাবলৈ দিব লাগে, বাতিপুৱা খেতি কৰিব দিব লাগে। এইটো কৰিব পাৰিলে তেওঁলোকে খেতি কৰাৰ লগতে সংসাৰ চলোৱাৰো জ্ঞান হব। মেডিকেল পাচ কৰি ওলাই অহা ল'ৰাবিলাকে গাওঁত চিকিৎসা কৰিবলৈ যাবলৈ টান পায়। কৃষি বিশ্ববিদ্যালয়ত পঢ়ি থকা ল'ৰা বিলাকেও নেকটাই চুট কৰি চাহাব হৈ নগলে ল'ৰাই হাহে। এইবিলাক শতকৰা ৭০-৮০ ভাগ নম্বৰ পোৱা ল'ৰা যদিও খেতিৰ বিষয়ে একো নাজানে।

শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে তাৰ পাঠ্যক্ৰম অসমীয়া ভাষাত হব লাগে এইটো সত্য। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অসমীয়াত পাঠদান কৰিবলগীয়া হোৱাৰ কাৰণে অসমীয়ালৈ তৰ্জমা কৰি লৈছে যদিও কৃষি বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত এইটো হোৱা নাই। ইমান বিলাক দৰবৰ নাম, ইমান বিলাক সা-সজুলিৰ নাম, ইমানবিলাক বিভন্ন সাৰৰ নাম ইংৰাজীত থকাৰ কাৰণে খেতিয়কে বুজিবলৈ সুযোগ সুবিধা নাপায়। আমি কৃষি বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতো এই ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিছো। ঠিক তেনেকৈয়ে আমাৰ মাননীয় সদস্য শ্ৰীনেপাল দাস ডাঙৰীয়াই কৈছে যে মচুৰ দাইলৰ বাকলি মেচিন নহলে গুচাব নোৱাৰি। মচুৰ দাইলৰ বাকলি গুচোৱা মেচিন আছে। এটা মেচিনৰ দাম ১৫-২০ হাজাৰ টকা। এই মেচিন

আনি লব লাগে নহলে মচুৰ দাইলৰ বাকলি নুগুচালে খাব নোৱাৰি। এই কথা আমি নীতিগত ভাবে মানি লৈছো।

শ্ৰীছামচুল হুদা :— হালধী গুৰি কৰা মেচিন আছে নে নাই?

* শ্ৰীসোনেশ্বৰ বৰা : হালধী, জলকীয়া, আদি গুৰি কৰা মেচিন আছে।

আমাৰ বিয়া-সবাহে তামোল-পান খোৱা মানুহ বহুত আছে। তাৰোপৰি মা-মছলা, ফুল আদি বিলাক এই বিভাগত পৰে। মই এটা কথা জানো যে অকল গুৱাহাটীলৈকে বছৰি ৬ লাখ টকাৰ বাংলা পান আহে। আমাৰ অসমীয়া বাৰীত হোৱা পানো গেলি পচি নাই-কীয়া হৈ যোৱা নাই। এইদৰে মা-মছলাও অসমলৈ বছৰি প্ৰায় ২৬ কোটি টকাৰ আহে। কামৰূপ, নগাওঁ, তেজপুৰত ধনীয়াৰ উৎপাদন হৈছে যদিও সেইবিলাক পশ্চিমীয়া বেপাৰীয়ে লৈ গৈ আকৌ আমাৰ ইয়ালৈ পঠাই দিয়ে।

শ্ৰীজীৱন বৰা :— উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। হৰ্টিকালচাৰ সম্পৰ্কে মই এটা পৰামৰ্শ দিছিলো। এটা বেলেগ বিভাগ খোলাৰ কথা কৈছিলো সেই বিষয়ে কিবা চিন্তা কৰিছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* শ্ৰীসোনেশ্বৰ বৰা :— ফলমূল আদি ৰখাৰ কাৰণে সেইবিষয়ত আগৰ ডিৰেক্টৰেট নাই। আমি ডিৰেক্টৰেট নহয় অতিৰিক্ত ডিৰেক্টৰেট কৰি বেলেগে এইটো লবলৈ চেষ্টা কৰা হৈছে সম্পূৰ্ণ ডিৰেক্টৰেট কৰিব খোজা নাই। আমি দেখিবলৈ পাইছো যে অসমৰ কামাখ্যা মন্দিৰত আমাৰ ইয়াত পূজাৰ বাবে

* Speech not corrected

যি ফুল লাগে বা বিভিন্ন মন্দিৰত যিমান খিনি ফুল লাগে সেই খিনি ফুলো বাহিৰৰ বিহাৰ বা উৰিষ্যাৰ পৰা বিমানেৰে আনিবলগীয়া হয়। আমাৰ ইয়াৰ ফুলৰে মন্দিৰত পূজা দিবলৈও নোৱাৰে। সকলো ক্ষেত্ৰতেই কিতাপৰ পৰিসংখ্যা হিচাব শুদ্ধ বুলি ধৰি লব নোৱাৰো।

শ্ৰীছামচুল হুদা :— ডিহাইড্ৰেশ্যন ফাৰ্ম কেইটা আছে মন্ত্ৰী মহোদয়ৰ প। জানিব বিচাৰিছো।

* শ্ৰীসানেশ্বৰ বৰা : - গোটেই বিলাক কথাৰ উত্তৰ দিয়াটো সহজ নহয়। সৰিয়হ শতকৰা পয়ষষ্ঠি ভাগ বাহিৰৰ পৰা আনিব লাগে। এই কথাত নিশ্চয় মাননীয় সদস্য সকলে সুখ পাব যে জনতা চৰকাৰ হোৱাৰ পৰা শিমগুটি মিহলোৱা খাদ্য কিছু কমিছে। ডাইল-চাউলত শিমগুটি কমিছে। অলপ কিবা পৰিবৰ্ত্তন হৈছে। সৰিয়হৰ কথাত কিতাপৰ পৰিসংখ্যাৰ ওপৰতেই সকলো ঠিক বুলি ধৰিব নোৱাৰি। শুদ্ধ বুলি ধৰিব নোৱাৰি। উদাহৰণ স্বৰূপে মই এটা কথা কৈছো। দৈয়াং বনাঞ্চলত যিমান খিনি সৰিয়হ উৎপাদন হৈছে আমাৰ ইয়াৰ গুৱাহাটীৰ ফাঁচী বজাৰৰ বেপাৰীয়ে গৈ তাত কিনি আনিছে। দহ হাজাৰ কুইন্টল সৰিয়হ কিনি আনিছে। নগা আক্ৰমণ কৰা ঠাইৰ পৰাও গুৱাহাটীৰ বেপাৰীয়ে গৈ কিনি আনিছে। ৰেংমা, নামবৰ ৰিজাৰ্ভৰ সৰিয়হ গৈ লৈ আহিছে।

(ভয়চ : কিমান দামত আনিছে ?)

পৰিসংখ্যা মতে এক্ৰৈশ লাখ হেক্টৰত খেতি হৈছিল চৌব্বিশ লাখ শস্য হৈছে। এইটো কিতাপৰ হিচাব। কিন্তু যিবিলাক বনাঞ্চল বা বেদখলী ঠাই আছে সেইবিলাক মাটিৰ হিচাব ধৰা হোৱা নাই। দৈয়াং

* Speech not corrected

বনাঞ্চলত দহ হাজাৰ কুইন্টল বিক্ৰী কৰিছে। অসমত কিমান সৰিয়হ হৈছে সেইটো হিচাব জনা নাই কাৰণেই এইটো হৈছে। আগতেও জনা নাই। আগৰ মণ্ডলে দিয়া পৰিসংখ্যা হলেই শুদ্ধ হিচাব বুলি কব নোৱাৰি। অহা বছৰলৈ আশা কৰা হৈছে শুদ্ধ হিচাব এটা মাননীয় সদস্য-সকলক দিব পৰা হব।

* শ্ৰীচামচুল হুদা :— সৰিয়হৰ কথাত এটা স্পষ্টীকৰণ বিচাৰিছো। অসমত সৰিয়হ উৎপাদন কৰা হয় যদিও নিয়ন্ত্ৰণ কৰে কেন্দ্ৰীয় চৰকাৰে। কেৱল মিঠাতেলটোহে আমাৰ ইয়াত কন্ট্ৰল কৰে। সৰিয়হৰ নিয়ন্ত্ৰণ কেন্দ্ৰীয় চৰকাৰৰ হাতত থকা কাৰণে আমাৰ ইয়াত বেছি দামত মিঠাতেল কিনিব লগীয়া হয় এইটোৰ কিবা ব্যৱস্থা কৰিবনে ?

* শ্ৰীসোনেশ্বৰ বৰা :— কেৱল সৰিয়হেই নহয় আৰু কিবা কিবি বস্তু কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত আছে।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— সৰিয়হ এই বছৰৰ পৰা অসম চৰকাৰে সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিছে। ষ্টেটফেডৰ জৰিয়তে সংগ্ৰহ কৰাৰ আৰম্ভ কৰি থকা হৈছে।

* শ্ৰীসোনেশ্বৰ বৰা :— চৰকাৰে আৰম্ভ কৰিছে। মাননীয় সদস্য সকলক এই কথাও জনাব খোজো যে অসমৰ কাৰণে কিমান খিনিৰ প্ৰয়োজন কিমান খিনি আমাৰ ইয়াত উৎপাদন হয় কিমান উৎপাদন হৈছে সেইটো আচল হিচাব কোনেও কব নোৱাৰে। কিছুমান উৎপাদিত বস্তু

* Speech not corrected

বাহিৰলৈ যায় আৰু কিছুমান বাহিৰৰ পৰা অনাও হয়। উপাধ্যক্ষ মহোদয়, সৰুতে এটা অংক কৰিছিলো। এটা ড্ৰামত দুটা নলী আছে তাৰে এটাৰে ষাঠি লিটাৰ পানী সোমায় আৰু পঞ্চাশ লিটাৰ পানী ওলায়। চৌব্বিশ ঘন্টা দুয়োটা নলী খোলা থাকিলে কিমান সময়ৰ পিচত ড্ৰামটো পূৰ্ণ হব। সেই ধৰণৰ অংক। আমাৰ ইয়ালৈ আহিও আছে ইয়াৰ পৰা গৈছেও। সেইটো হিচাব কৰিব লাগিব।

শ্ৰীএ-এন-আক্ৰাম হুচেইন :— সৰিয়হৰ ক্ষেত্ৰত এটা স্পষ্টীকৰণ বিচাৰিছো। খেতিয়ক সকলক সৰিয়হ উৎপাদন কৰিবলৈ সহায় কৰিবলৈ বিনা মূলীয়া আৰু ৰেহাই মূল্যত উৎকৃষ্ট সাৰ বীজ আদি বিলি কৰিবলৈ কি ব্যৱস্থা কৰিছে?

মাননীয় উপাধ্যক্ষ :— মই মন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰিছো আৰু মাননীয় সদস্য সকলকো অনুৰোধ কৰিছো যে আগতে উত্তৰ দিয়া হওক তাৰ পিচত স্পষ্টীকৰণ বিলাকৰ কথা হব।

* শ্ৰীসোনেশ্বৰ বৰা :— উপাধ্যক্ষ মহোদয়, আমাৰ উৎপাদন যে একেবাৰে যান্ত্ৰিক হোৱা নাই সেইটো নহয়। এগ্ৰো ইণ্ডাষ্ট্ৰিজ ডেভেলপমেন্ট কৰপোৰেশ্যন আছে। কৃষি যান্ত্ৰিক পদ্ধতিত উৎপাদন কৰা হৈছে। ইয়াৰ দ্বাৰা কৃষিৰ যান্ত্ৰিক সজুলি আদি দিয়াৰ ব্যৱস্থা কৰা হৈছে। নিৰণি দিয়া যন্ত্ৰ আদি পাচশখন মান হৈছে। লোহাৰ নাঙল দুহাজাৰ পাচশখন হব। বীজ সিচা যন্ত্ৰ দুশ পঞ্চাশ খন আছে। ইয়াৰ উপৰিও জবকা, খন্তি ইত্যাদি সৰু সৰু সজুলি প্ৰায় আঢ়ৈ হাজাৰ মান হৈছে।

* Speech not corrected

কিন্তু এতিয়াও আমি আশা কৰা মতে হোৱা নাই। আমাৰ মাননীয় সদস্য কালিৰাম ডেকাৰজাই কৈছিল যে লোৰ নাঙলেৰে চহ কৰা অসুবিধা। উপাধ্যক্ষ মহোদয়, ৰাইজৰ কোনোবা বা মাননীয় সদস্যসকলৰ কোনোবাই যদি অসুবিধা পোৱা বুলি কব খোজে তেনেহলে মই এজন নিজে খেতি কৰা হাল বোৱা মানুহ হিচাবে কওঁ যে এই লোৰ নাঙলেৰে কাঠৰ নাঙলতকৈ বেছি মাটি চহ কৰিব পাৰি। উঠিও নাহে খান্দেও ভালকৈ। গাহৰিৰ মুখেৰে কোমল মাটি খুন্দিওৱাৰ দৰে মিহিকৈ খান্দি যায়। গৰুৰেও দুখ নাপায়। চহ ভাল হয়।

শ্ৰীচামচুল হুদা :— আমাৰ অসমৰ গৰুৱে টানিব নোৱাৰে।

* শ্ৰীসোনেশ্বৰ বৰা :— পাৰে। মই নিজে বাইছো। মোৰ নাঙল ভাল বুলি ধৰিব পৰা গৈছে। উপাধ্যক্ষ মহোদয়, ৰাসায়নিক সাৰৰ এটা হিচাব দিছো। আমাৰ অসমত ১৯৭৬-৭৭ চনত প্ৰয়োগ কৰা হৈছিল তিনি হাজাৰ চাৰিশ উনত্ৰিশ টন, ১৯৭৭-৭৮ চনত পাচ হাজাৰ সাতশ সাতানব্বৈ টন, ১৯৭৮-৭৯ চনত প্ৰায় সাত হাজাৰ টন আৰু ১৯৭৯-৮০ চনত আমাৰ লক্ষ্য আছে প্ৰায় এঘাৰ হাজাৰ টন। কীট নাশক ঔষধ ১৯৭৭-৭৮ চনত তিনিশ টন, ১৯৭৮-৭৯ চনত প্ৰায় চাৰিশ টন আৰু ১৯৭৯-৮০ চনলৈ প্ৰায় ৬০০ টনৰ লক্ষ্য লোৱা হৈছে। উন্নত বীজ বিতৰণ কৰি দেখা গৈছে যে কিছুমান ঠাইত হয়তো গজা নাই। মই নিজে বীজ নিগমৰ বীজ পাইছো। অনুমান কৰিছো। ক'ৰবাত নগজাটো সত্য কিন্তু পকা চোতালত মাৰি ধানৰ বীজ ৰাখিলে কিমান খিনি ফলপ্ৰসু হব বাৰু।

* Speech not corrected

আমাৰ বুঢ়া সকলে বিজ্ঞান জানিছিল আৰু সেইকাৰণেই ধানৰ যিটো কেচা ভাগ সেইটো ধানৰ সেৰৰ মাজত সুমাই থৈছিল কিয়নো সেৰে পানী খিনি সুহি লয় আৰু সেইদৰে তেওঁলোকে ভাল ফলেই পাইছিল, পুৰণি পদ্ধতি বিলাক বিজ্ঞান সন্মত ভাবেই হৈছিল। এতিয়া আমি আকৌ দেখিছো ফাৰ্ম্ম বিলাকত টেক্টৰৰ সহায়েৰে পকা চোতালৰ ওপৰত ধান মাৰে, এইটো ভাল ব্যৱস্থা হোৱা নাই, বৰঞ্চ বোকা চোতালত গৰুৰে ৪.৫ জন মানুহ লৈ ধান মাৰিলে তাৰ পৰা ভাল ফল পোৱা যাব। মাননীয় সদস্য কাকতিদেৱে কৈছে যে নগজে, কিন্তু আচলতে সেইটো নহয়, গজে। এতিয়া দেখা গৈছে বেচি ভাগ ঠাইতে বাৰ মিহলি ধান বিতৰণ কৰাৰ ফলত খেতিয়ক সকল বিপাঙত পৰিছে। সেইকাৰণে এই বাৰ যাতে তেনে ধৰণে অসুবিধাত পৰিব লগীয়া নহয় তাৰ কাৰণে আগতীয়াকৈ ব্যৱস্থা লোৱা হৈছে। তাৰ পাচত আমাৰ ইয়াত ফল-মূলৰ কাৰখানা নিচেই কম। মাননীয় সদস্য জীৱন বৰা ডাঙৰীয়াই ফল-মূলৰ বিষয়ে ভালে কেইটা পৰামৰ্শ আগবঢ়াইছে, আমাৰ ইয়াত বৰ্ত্তমান ৬টা ফল-মূলৰ প্ৰচেচিং কেন্দ্ৰ আছে, এই কেইটা এতিয়া অধিক সক্ৰীয় কৰিবলৈ চেষ্টা কৰা হৈছে। কৰবাত নগৰত দুই এটা ফলমূলৰ কাৰখানাৰ দ্বাৰা বিশেষ ধৰণৰ কাম নহব, সেই কাৰণেই এতিয়া প্ৰতিখন জিলাতেই এই ফলমূলৰ কাৰখানা বিলাক ব্যৱসায় ভিত্তিত গঢ়ি তোলাৰ কাৰণে চেষ্টা কৰা হব।

তাৰ পাচত উন্নত বীজৰ বিতৰণৰ ক্ষেত্ৰত মই কওঁ, আমি যোৱা ১৯৭৭-৭৮ চনত — ধান ১০,০০০ কুইন্টল, ঘেহু- ৩০,০০০ কুইন্টল, সৰিয়হ- ৪০০ কুঃ মৰাপাট- ৫৩৭ কুঃ আৰু মাহৰ সঁচ- ১২০ কুঃ সেই দৰে ১৯৭৮-৭৯ চনত ধান- ১২,০০০ কুঃ ঘেহু- ২০,০০০ কুঃ সৰিয়হ-

৮০০ কু ঃ মৰাপাট- ১২০০, আৰু মাহৰ সঁচ- ৮০০ কুঃ। আমাৰ লক্ষ্য হ'ল ১৯৭৯-৮০ চনত ধান- ১৫,০০০ কুঃ, ঘেহু- ৩০,০০০, সৰিয়হ- ১২০০ কুঃ মৰাপাট- ১২০০ কুঃ আৰু মাহৰ সঁচ- ১২০০ কুইন্টল। যোৱা কেইবছৰত আমাৰ উৎপাদন যি পৰিমানে হৈছিল সেইটো অগা পিচা হৈ আছিল, কোনোবাটো বছৰত যদি বেচি হৈছিল আকৌ কোনোবাটো বছৰত কম হৈছে। যোৱা কেইবছৰৰ ভিতৰত আমাৰ ধানৰ উত্পাদন কিমান হৈছিল চাওক- ১৯৭৩-৭৪ চনত- ২০,৬৬,০০ টন. ১৯৭৪-৭৫ চনত-১৯,৮৫, ০০০ টন, ১৯৭৫-৭৬ চনত- ২২.৯০,০০০ টন, ১৯৭৬-৭৭ চনত- ২১,৩৩,০০০ টন, ১৯৭৭-৭৮ চনত- ২৩,১১,০০০ টন, ১৯৭৮-৭৯ চনত— ২৩,১০,০০০ টন, ১৯৭৯-৮০ চনত— ২৫,৫০,০০০ টন। পিচৰ বছৰটোত আমাৰ লক্ষ্য— ১ লাখ ৫ হাজাৰ টনতকৈ বেছি হব। ১৯৭৯-৮০ চনত- ৫০ হাজাৰ টনলৈ বৃদ্ধি পালে। মৰাপাটৰ ক্ষেত্ৰত দেওৱান জইনাল আবেদিন ডাঙৰীয়াই কৈছে যে উৎপাদন কমি গৈছে বুলি কৈছে কিন্তু প্ৰকৃততে সেইটো নহয়, এই বছৰ বাঢ়িছেহে। এই হিচাবটো পঢ়ি দিলেই আপোনালোকে বুজিব পাৰিব, ১৯৭৭-৭৮ চনত— ৫,২১,০০০ গাঠ (১১১,০০০ হেক্টৰ)। ১৯৭৮-৭৯ চনত— ৯,৫০,০০০ গাঠ ( ১,২৭,০০০ হেক্টৰ ) ১৯ ৭৯-৮০ চনত— ১১,০০,০০০ গাঠ (১,৪০,০০০ হেক্টৰ )

ইয়াত হেক্টৰ হিচাবেহে দেখুৱা হৈছে। এই যিটো হিচাব দেখুৱা হ'ল সেইটোয়েই সম্পূৰ্ণ নহয়, ইয়াৰ বাহিৰেও আৰু বহুত ঠাইত মৰাপাট গোমধানৰ খেতি হৈ থাকে সেইবিলাকৰ হিচাব পোৱা নাযায়। আমাৰ যিবিলাক ফিচাৰী এৰিয়া আছে, সেইবিলাকতো, ফিচাৰীৰ নামত ৰাখি কিছুমানে তাত বেদখল কৰি গোমধান, মৰাপাট ইত্যাদিৰ খেতি কৰি থাকে, তাৰোপৰি যিবিলাক গ্ৰেজিং এৰিয়া আছে তাতো বেদখল কৰি খেতিবাতি চলি থাকে, সেইবিলাকৰ হিচাব ইয়াৰ ভিতৰত অহাই নাই। তাৰ

পাচত আমাৰ যি ৰেগুলেটিং মাৰকেটৰ কথা কোৱা হৈছে, সেইটো এতিয়া-লৈকে প্ৰায় ৪ খন মান ঠাইত হৈছেগৈ। ধুবুৰী, গোৱালপাৰা, খাৰু-পেতিয়া আৰু চিংত কৰা হৈছে। ইতিমধ্যে জুট কোৰপৰেশ্যনে ৪ লাখ গাঠ মৰাপাট কিনিছে। যাতে সেই মৰাপাট অধিক মূল্যত বিক্ৰী হব নোৱাৰে তাৰ কাৰণে এই ব্যৱস্থা হৈছে। যিহেতু অসমত মৰাপাটৰ কল নাই, কেচা সামগ্ৰী বাহিৰলৈ নিব লাগে আৰু সেই কাৰণেই দূৰ হোৱাৰ কাৰণে পৰিবহনৰ খৰচ বেছি হয়। আচৰিত কথা গোৱালপাৰা বা বৰ-পেটা অঞ্চলত মৰাপাটৰ উৎপাদন যিমান হয় তাৰ পৰা সিমান লাভ নহয় কাৰণ এই ঠাইৰ কাষতেই বাংলাদেশ পৰে গতিকে সেই হিচাবে অসমৰ মৰাপাটৰ পৰা পোৱা লাভ অন্য ৰাজ্যৰ সমান নহয়। আমাৰ ইয়াত ২ বা ৩টা গ্ৰেড্ কৰা হয়, যিটো ইয়াত দ্বিতীয় গ্ৰেড হয় বাহি-ৰত সেইটোৱেই গৈ প্ৰথম গ্ৰেড্ হিচাবে বিক্ৰী হয়গৈ। ইয়াত প্ৰথম গ্ৰেড্ যিটো তাত তাক এশ পঞ্চাশ টকাত কিনি নি এশ নব্বৈ টকাত বিক্ৰী কৰে গৈ। ত্ৰিপুৰাত যিটো দাম অসমত তাতকৈ কম আৰু সেইদৰে বাংলা-দেশত যিটো দাম আমাৰ অসমত তাতকৈ কম। আজি বহুত বছৰ ধৰি এই সমস্যা চলি আহিছে আৰু এতিয়া ইয়াৰ পৰিবৰ্ত্তন কৰাৰ চেষ্টা কৰা হৈছে।

শ্ৰীচামচুল হুদা :— মৰাপাটৰ গ্ৰেড্ মাৰোৱাৰীয়ে নিৰ্দ্ধাৰণ কৰে নে চৰকাৰৰ ফালৰ পৰা কৰে?

* শ্ৰীসোনেশ্বৰ বৰা :— আগতে সেইটো তেওঁলোকেই কৰিছিল, কিন্তু এতিয়া চৰকাৰে সেই বিষয়ে চিন্তা কৰিছে আৰু মই আশা ৰাখিছোঁ ইয়াৰ কাৰণে চৰকাৰী ব্যৱস্থা আৰু উন্নত হ'ব। বহুতো বিষয়াক ইয়াৰ

* Speech not corrected

কাৰণে প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰা হৈছে যাতে কোনোবাই এইটো গ্ৰেড্ বা সেইটো গ্ৰেড্ বুলি কলেই মানি নলয়। মাননীয় চিৰাজুল হক ডাঙৰীয়াই এই ক্ষেত্ৰত ভালেখিনি পৰামৰ্শ আগবঢ়াইছে। তাৰ লগতে মাননীয় সদস্য প্ৰেম বৰা, পূৰ্ণ বৰো, চামচুল হুদা, কুলবাহাদুৰ ছেত্ৰী, বুদ্ধ বৰা, আক্ৰাম হুছেইন, অতুল গোস্বামী, জীৱন বৰা, ইব্ৰাহীম আলি, গোলোক কাকতী, নুৰুল হুদা, নেপাল দাস, হৰেন্দ্ৰ দেব গোস্বামী, উমেশ দাস আদি কেইবাজনো মাননীয় সদস্যই যিবিলাক পৰামৰ্শ আগ বঢ়াইছে, সেইবিলাক আমি বিবেচনা কৰিবলৈ লৈছোঁ। আমাৰ মাননীয় সদস্য চামচুল হুদা ডাঙৰীয়াই এটা কথা কৈছে যে কৃষি বিভাগৰ বিষয়া সকল ৰাইজৰ ওচৰলৈ নেযায়। গতিকে এই ক্ষেত্ৰত মই অফিচাৰ সকলক ৰাইজৰ ওচৰলৈ যাবলৈ নিৰ্দ্দেশ দিম যাতে তেখেত সকল ৰাইজৰ ওচৰলৈ গৈ কাৰ্য্যকৰী ব্যৱস্থা হাতত লয়। মাননীয় সদস্য হৰেন্দ্ৰ দেব গোস্বামীয়ে কৈছে যে এইটো টোগলকী ব্যৱস্থা হৈছে। আচলতে এইটো টোগলকী ব্যৱস্থা হোৱা নাই নানা ধৰণৰ অৱস্থা আহি পৰাৰ কাৰণেই এনেবোৰ অসুবিধা হৈছে। আমি বৰ্ত্তমান অসমত ১৩ জন জইন্ট ডাইৰেক্টৰ পাতিছোঁ আৰু তেখেতলোকক লৈ ৬টা জোনত অসমক ভাগ কৰিছোঁ। তাৰে কাছাৰ জিলা আৰু শিলচৰক লৈ এটা জইন্ট ডিৰেক্টৰৰ অফিচ ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ যোৰহাটত হেড্ অফিচ আৰু এডিচনেল ডিৰেক্টৰৰ অফিচ পতা হৈছে। নগাওঁ আৰু গুৱাহাটীক লৈ নগাওঁত হেড্ অফিচ আৰু গোৱালপাৰা আৰু বৰপেটাক লৈ কোকৰাজাৰত হেড্ অফিচ আৰু লক্ষীমপুৰকলৈ তেজপুৰত এটা অফিচ পতা হৈছে। প্ৰত্যেক অফিচতে জইন্ট ডিৰেক্টৰৰ তলত একোজন এক্সটেনচন অফিচাৰ থাকিব তেওঁলোক সদৰ অফিচতে থাকিব আৰু থাকিম বুলি ৰাজি হৈছে। তেওঁলোক ৰাইজৰ খেতিৰ পথাৰলৈ যাব ৰাইজৰ কাম কাজ চাবৰ কাৰণে। ট্ৰেন্সফাৰ আদিৰ কাৰণে জইন্ট ডাইৰেক্টৰৰ অফিচত কাম নহলে তেওঁলোকে

পোনে পোনে চৰকাৰৰ ওচৰলৈ আহিব পৰাৰ সুবিধা কৰি দিয়া হৈছে।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব বিচাৰিছো যে মাননীয় সদস্য সকলে মাটিক কেন্দ্ৰ কৰি কৈছে, সঁচাকৈয়ে মই নিজেই এই কথাটোৰ কাৰণে দুখ পাওঁ। আমাৰ দেশত এটা আন্দোলন গঢ়ি উঠিছে। সেইটো হৈছে আধিয়াৰ আইনৰ বিষয়ে। এই আইনৰ মতে খেতিৰ উৎপাদনৰ ৫ ভাগৰ এভাগ বা 8 ভাগৰ এভাগ দিয়াৰ নিয়ম। কিন্তু দুখীয়া খেতিয়কে ধনী মানুহৰ খেতিৰ পথাৰত খেতি কৰিলে খাজনাটো নিশ্চয় পইছাৰে দিব লাগিব, খেতিৰ ফচলেৰে নহয়। **এই কথাটো কোনো বাম** পন্থী দলে বা কোনো চৰকাৰে নাইবা কোনো ৰাইজে সমৰ্থন নকৰে আৰু মানি লব নোৱাৰে। আজি বহুদিন ধৰি এইটো এটা সামন্তবাদী প্ৰথা সমাজ বাদৰ নামত চলি আছে। সিদিনা শিক্ষা মন্ত্ৰীয়ে কৈছিল "পখী মৰে বৈ মন্ত্ৰী মৰে কৈ"। পখী গছৰ ডালত বৈ থাকি চিকাৰীৰ শৰত মৰাৰ দৰে মন্ত্ৰী সকলো কথা কোৱাৰ কাৰণেই মৰিব লগা হয়। অলপতে গাওঁলৈ যাওঁতে খেতিয়ক ৰাইজে সুধিছিল যে, খাজনা যেতিয়া উঠাই দিয়া হ'ল মৌজাদাৰ থাকিব নে নেথাকে, কাৰণ খাজনা মৌজাদাৰকহে দিয়া হয়। মই কলোঁ, খাজনা উঠাই দিয়া হ'ল যেতিয়া মৌজাদাৰ আৰু যাব লাগিব, থাকিব নোৱাৰে। তাকে মাননীয় সদস্য মুকুট শৰ্ম্মাই দৃষ্টি আকৰ্ষণ কৰিলে বিধান সভাত। ৰেভিনিউ মন্ত্ৰীয়ে তাৰ বিবৃত্তি দিলে। বহুতো সদস্যই তাকে লৈ কলে যে কৃষি মন্ত্ৰীৰ অনুপস্থিতিত ৰেভিনিউ মন্ত্ৰীয়ে উত্তৰ দিছে। মাননীয় সদস্য শুল বৰা ডাঙৰীয়াই এইটো কুৱালিচন চৰকাৰৰ কথা হৈছে বুলি কৈছে। আমাৰ ভাৰতবৰ্ষৰ সংবিধান খনেই বহুদলীয়। বহুতো দলৰ সংমিশ্ৰমৰ ব্যৱস্থা ভাৰতীয় সংবিধানেই দিছে। বহুতো দলীয় পৰামৰ্শ লৈহে প্ৰশাসনীয় কাম কাজ চলে। গতিকেই গনতান্ত্ৰিক দেশত, সমাজবাদ ৰচনা কৰাত কুৱালিচন থকাটো কোনো নতুন কথা নহয়।

উপাধ্যক্ষ মহোদয়, আশা কৰা মতে মাননীয় সদস্য সকলে এটা কথা উল্লেখ কৰিছে যে কৃষিৰ জৰিয়তে আমাৰ সমস্যাবোৰ সমাধান কৰি জীয়াই থকাৰ কথাটো সকলোৱে উপলব্ধি কৰিছে আৰু এই ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা লব নোৱাৰিলে ৰাজ্যৰ সমস্যাবোৰ সমাধান কৰিব নোৱাৰিব বুলি সকলোৱে ভাবিছে। গতিকে মই আশা ৰাখিছো চৰকাৰী পক্ষই হওক বা বিৰোধী পক্ষই হওক, সকলো মাননীয় সদস্যৰ বন্ধুত্বপূৰ্ণ সহায় সহ-যোগ কামনা কৰা হ'ল যাতে তেখেত সকলে এই কৃষি বিষয়টো আৰু শক্তিশালী কৰি তুলিবলৈ যাতে সু পৰামৰ্শ আদি দিয়ে। এইখিনি কৈয়েই মই মাননীয় সদস্য সকলক কৰ্টন প্ৰস্তাৱ উঠাই লৈ যি মঞ্জুৰী দাবী সদনত আহিছে সেইটো পাছ কৰাৰ কাৰণে অনুমোদন জনাবলৈ অনুৰোধ কৰি মোৰ বক্তব্যা সামৰনি মাৰিলোঁ।

Mr. Deputy Speaker :— Whether the hon'ble members who have moved the cut motion are ready to withdraw the cut motions ?

( voices— yes, yes )

শ্ৰীনগেন বৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়..................

Mr. Deputy Speaker :— There is no time ; it is 11/30 now ; please leave it to me now and I think all the cut motions have been withdrawn, and now I put the mot.on before the hon'ble House.

১৯৮০ চনৰ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত ৩০৫ কৃষি, ৩০৮ ক্ষেত্ৰ উন্নয়ন (।) ৫০৫ কৃষিৰ বাবে মূল ধন ব্যয় ৭০৫ কৃষিৰ

বাবে ঋণ শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ১৬,০১,৪৬,৭০০ পৰিমানৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওক।

( The demand is passed )

## MISCELLANEOUS

শ্ৰীভুবনেশ্বৰ বৰ্মণ :— উপাধ্যক্ষ মহোদয়, বিশেষ এটা কথাৰ কাৰণে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। নগা সীমান্তত যত অলপতে গোলমাল হৈছিল তাৰ পৰা জনজাতীয় ১০ হাজাৰমান মানুহ বজালী আৰু চিমলা ফৰেষ্ট ৰিজাৰ্ভলৈ গুচি অহাৰ কাৰণে এই অঞ্চলৰ স্থানীয় মানুহৰ মাজত এটা সাম্প্ৰদায়ীক সংঘৰ্ষৰ সৃষ্টি হোৱাত এটা আতংকৰ সৃষ্টি হৈছে। এই বিষয়টো ভালকৈ চালি জাৰি চাই স্থানীয় মানুহ খিনিৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত শান্তি শৃঙ্খলা ৰক্ষা কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো।

* শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— এই সম্পৰ্কত মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই উৎথাপন কৰিছিল। যোৱা কালি বড়ো ছাত্ৰ সন্থাৰ ফালৰ পৰাও এই কথা উল্লেখ কৰিছিল। এই সম্পৰ্কে আমি ইতিমধ্যেই সদনত জনাইছো আৰু গোটেই কথাটো আমি গম পাইছো যে নগালেণ্ড সীমান্তত যি সকল লোক আছিল সেই সকল লোকৰ বসবাস কৰাৰ ক্ষেত্ৰত ভেৰিফাই কৰি দেখা গৈছে যে তেওঁলোক কিবাকিবি কাৰণত বেলেগ বেলেগ ঠাইলৈ গুচি আহিছে। এই সম্পৰ্কত অনুসন্ধান কৰি বিহিত ব্যৱস্থা লোৱা হব।

## CALLING ATTENTION

Mr. Deputy Speaker: — Now item No. 3: Mr:

* Speech not corrected

Noorul Huda.

Shri Noorul Huda :— Sir, before I read out the Call Attention motion standing in my name, I want to point out with your permission that I had given the notice quite some time back. But unfortunately Sir, it appears that some unimportant matters were given preference to the present motion. By this time the whole question was discussed in the House on several occasions and I do not know why it has been given to-day. However, since it has come up, I read out the motion.

Sir, I call the attention of the Minister, Supply under Rule 54 of the Rules of Procedure dan Conduct of business in Assam Legislative Assembly relating to persistant short supply of kerosene oil all over the state especially in rural countryside leading to exorbitant price in the open market, black marketeering and extreme hardship to the common people.

* Shri Dulal Chandra Barua ( Minister ):— Mr. Deputy speaker, Sir, the matter has been discussed before. So I do not like to give a long statement on it. Even then, just to clarify the position I want to state as follows:

* Speech not corrected

The kerosene supply position in the state was more or less satisfactory till the end of Deember, 1978 but thereafter due to maintenance shut-down of Gauhati/ Digboi refineries, irregular despatches from New Jalpaiguri and non arrival of tank wagons in run quickly to Assam destinations, the supply position was adversely affected since January, 1979, particularly in areas tagged to New Jalpaiguri Terminal point.

New Jalpaiguri Terminal point generally feeds the areas comprising Darrang, Lakhimpur districts and also part of zone IV comprising Nowgong, Cachar, karbi Anglong and N. C. Hihlls districts of Assam. The tagging of zones with sources of supplies however varies from time to time as decided by the Goverment of India.

The stock at New Jalpaiguri also caters to the needs of North Bengal, Bhutan, Sikkim etc. besides Assam and supplies from New Jalpaiguri are mostly dependent on supplies from outside sources. Irregular despatches from New Jalpaiguri was mainly due to low stock of kerosene for non receipt of supplies. It will be relevant to point out that the stock of kerosene at New

Jalpaignri Terminal point as on 1. 3. 79, 7. 3. 79 and 10. 3. 79 were only 1397 KL, 1473 KL and 930 KL respectively including dead stock of 275 KL and 600 KL reserved for supply for Army.

To improve and maintain the supply line, the state Government immediately took the following measures :—

1. Close liaison was maintained with the NF Railways for expenditious movement of tank wagons in transit.

2. Arrival and despatch of tank wagons at Lumding which is a normal hold up point for wagons for Cachar has been monitored and immediate actions have been taken to despatch kerosene wagons which arrive Lumding, to defferent destinations.

3. Deputy commissioners and Sub-Divisional Officers were instructed to:—

(a) Plan distribution of the available kerosene stocks equitably to all the areas from oil Company depots to retail outlets as well as from retail outlets to the consumers.

(b) Take stern measures against such unscrupu-

lous eliments who might indulge in malpraetices taking advantage of short supply.

(c) Appoint approved retailers for distribution of kerosene oil in areas where cooperatives GPSS have faied to function effectively and.

(d) Assess fortnightly requirement of each educational institution and its hostel at the rate of 2 litres a week for each student ; to select approved ratailers/fair price shops for each institution/hostel and to allot fortnightly quota equivalent to total requirement as might be required from a nearest kerosene depot for drawal by students against coupons to be issued to students by the head of the Institutions.

4. Rescue supplies by tank lorries were made as and when necessary from Gauhati and Digboi refineries even to areas tagged to New Jalpaiguri Terminal point.

In respect of Cachar district also which is in zone IV, there were shortages of kerosene in the months of January, 1979 and February, 1979. During the month of December, 1978 cansumption of kerosene in the dist-

rict of Cachar was 1545 kL. As against this Cachar received 1094 kL in the month of January, 1979 and 1156 KL in the month of February, 1979. There had therefore, been a short fall of 451 kL in January and 389 kL in February, 1979 taking December, 1978 as the base.

The state Government requested the Government of India to replenish the stock at New Jalpaiguri Terminal point and also to divert some alloeations from New Jalpaiguri to Gauhati Refinery for maintaining smooth supply.

The Petroleum Ministry assured to take steps to improve supply of kerosene to Assam by arranging supplies of more products to New Jalpaiguri Terminal point from Haldia and also to increase releases of kerosene for Assam from Gauhati Refinery. It was further informed that the supply position of kerosene in Assam got affected partly because of ourtailment of production in Digboi Refiney also owing to non availability of wagons for moving out Naptha and Furnance Oil and partly due to transport bottleneck created by labour unrest in NF Railway. The Government of Indai in

our request had increased releases from Gauhati refinery by about 100 MT per day over and above their normal releases and agreed to expedite movement of kerosene tank wagons from New Jalpaiguri to Assam destination on preferential basis. The New Jalpaiguri stock is now under process of replenishment and it had a stock of about 4000 MT as on 19. 3. 79 and 2 more rakes carrying about 2400 MT were on transit from Rajbondh to New Jalpaiguri as on that date.

The kerosene Unit of Gauhati Refinery which was on maintenace shut down for some time came into production from 13/14th March, 1979. Releases from Gauhati Refinery are normal now and the back log of supply is also expected to be cleared by the Gauhati Refinery:

Taking advantage of the short supply, charging of higher prices by some unscrupulous traders in some areas can not altogether be ruled out. The Govt. as earlier mentioned have already directed the Deputy Cmmissioners and the Sub-Divisional Officers to take stern actions against unscrupulous eliments indulging in malpractices under the Essential Commodities Act and the Rpules framed there under.

With improved stock and despatch of kerosene from New Jalpaiguri Terminal Point and distribution of the same through cooperatives/GPSS and approved retailers, the supply position in the state is expected to be improved to a great extent in near future.

In the meantime Sir, I have asked the secretary supply to contact Government of India directly. He went there and contacted the appropriate authority and he was successful. We are now getting higher quantity of kerosine from the Gauhati Oil Refinery, and as well as from New Jalpaiguri. We have engaged Tank wagones to bring the kerosine by road to the state, from Jalpaiguri.

Shri Narennath Datta :— The honourable Minister in his statment has clearly stated abut the unscripulous traders who are taking advantage of the situation. He has also stated that stern action would be taken against the unscripulous traders as well. My submission is that the unscrupulous traders under the favoured umprella of unscrupulous and corrupt officers take advantage of the spiraling prices. I request the hon: member to take note of it and take action against

such persons.

Shri Dulal Chandra Burua :— If any Oficer is in found to be involved with the black marketeers drastic action would be taken against him. Two cases have been ditected. One is the Talukdar Oil Depot and another at Fatasil Ambari who have been taken into custody and action is being initiated against them.

শ্ৰীমুকুট শৰ্ম্মা :— মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে যোৱা কালিৰ দৈনিক অসমত এটা বাতৰিত প্ৰকাশ যে বৰপেটা চহৰত ৩ টকাকৈ আৰু গাওঁ অঞ্চলত ৪ টকাকৈ কেৰাচিন তেল বিক্ৰী হৈছে। আনকি কালি আমাৰ ভালে কেইজন মাননীয় সদস্যই কেৰাচিনৰ অভাৱত ভাত খাব পৰা নাই। আজিও সেই একেই অৱস্থা হৈ আছে। গতিকে মই এই সম্পৰ্কত এটা ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— অৱশ্যে এই বাতৰিটো মইও কালি পাইছো। আৰু পোৱাৰ লগে লগে বিহিত ব্যৱস্থাৰ কাৰণে এচ, ডি, অ, লৈকে নিৰ্দ্দেশ দিছো। দৰকাৰ হলে আমিও আমাৰ ফালৰ পৰা গৈ ব্যৱস্থা লবলৈ চেষ্টা কৰিম। এই গোটেই কথাটোকে আমি অনুসন্ধান কৰিবলৈ দিছো। মই কৈছোৱেই যে আমাৰ এতিয়া ষ্টকৰ বেছি অভাৱ হোৱা নাই। লগতে মই এটা খবৰ দিব বিচাৰিছো যে আমি পাব লাগে এ, ও চি, ৰ পৰা ৪,২৪০ কিঃ লিঃ আই, ও, চি, ৰ পৰা

* Speech not corrected

পাব লাগে ১,৯২৫ কিঃ লিঃ। আমি মুঠতে ২১ মাৰ্চ্চলৈকে ২,৮৮৩ কিঃ লিঃ পাব লাগে। এ, ও, চিৰ পৰা পাইছো ১,৩১০ কিঃ লিঃ, আই, ও, চিৰ পৰা পাইছো ১,৩১৬ কিঃ লিঃ অৰ্থাৎ আমি ৬ কিঃ লিটাৰ তেল বেছিকৈ পাইছো। অৰ্থাৎ শতকৰা একশ ভাগৰো ওপৰ আমি পাইছো। সেইদৰে ট্ৰেইন ৱেগনৰে আনিও আমাৰ চাহিদা পূৰণ কৰা হব। আমি ৰেগুলাৰ বিতৰণ কৰি থাকিব লাগিব। আমি আৰু এটা খবৰ পাইছো যে কালিৰ পৰা অইল ৰিফাইনাৰী ওৱৰ্ক টু ৰুল কাম কৰিবলৈ লৈছে। সেই ফালৰ পৰাও আমি ষ্টক ৰাখি ৰেগুলাৰ বিতৰণৰ ব্যৱস্থা ৰাখিব লাগিব।

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— জলপাইগুৰীত আমাৰ যি তেলৰ গুদাম আছে সেইটো আমাৰ ইয়ালৈ অনাৰ ব্যৱস্থা কৰিবনে?

* শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— অকল কেৰাচিনেই নহয়, আমি নিমখ আৰু চিমেণ্টৰ ষ্টকো ইয়াতে কৰিবলৈ বিচাৰিছো। কাৰণ আমি ৰেলৱে ৱেগেনৰ পৰা সাধাৰণত অসুবিধা পাই আহিছো। আনকি আমি লামডিঙৰ পৰা শিলচৰলৈকো ৱেগেনৰ অভাৱত বস্তু পঠাব নোৱাৰো। সেই কাৰণেই আমি এইবিলাক বস্তু গুদাম আমাৰ ইয়াত কৰিবলৈ ব্যৱস্থা লোৱাৰ কথা চিন্তা কৰিছো।

শ্ৰীৰামেন্দ্ৰ দে :— মিষ্টাৰ ডেপুটি স্পীকাৰ স্যাৰ, মাননীয় মন্ত্ৰী মহোদয় গত ১ মাস ধরে একই ষ্টেটমেণ্ট দিয়ে যাচ্ছেন এবং বলেছেন যে লেবার আনৱেষ্ট, ওয়াৰ্ক টু ৰুল ইত্যাদির জন্য কেরোসিন তেল ঠিকমত সরবরাহ করতে পারছেন না।

(একই ষ্টেটমেণ্ট নয়)

* Speech not corrected

তাছাড়া যে দুই জনের বিরুদ্ধে কেস করা হয়েছে তাদের মধ্যে একজন হলো এজেণ্ট এবং অন্যজন গরীব সোপ কিপার। আমি মন্ত্রী মহোদয়ের কাছ থেকে স্পষ্ট করে জানতে চাই আসামে যেসব কালো-বাজারী কেরোসিন ও লবনের ক্ষেত্রে এই সংকট সৃষ্টি করেছেন তাদের বিরুদ্ধে কোন বিশেষ ব্যবস্থা নেওয়া হবে কি না?

শ্রীদুলাল চন্দ্র বৰুৱা :— এই সম্পৰ্কত ব্যৱস্থা লোৱা হৈছে আৰু সুদৃঢ় ব্যৱস্থা লবলৈকো ব্যৱস্থা কৰা হৈছে।

## MATTER UNDER RULE 301

Shri Binoy Basumari :— Sir, I beg to raise a matter under rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative As embly relating to the news item appearing in the Aassam Tribune, dated 24th February, 1979 under the caption "Agitation threat by Bodo Sahitya Sabha".

Sir, to solve the problem of primary education a Deputy Director has been placed at the Office of the D. P. I. who has not been given any work under the tribal sub-plan by the order of the previous D. P. I. on 10 April, 1978. Here is the order. "All works relating to proposal sanction will be done henceforth in the p(c) Branch. The P. T. E. Cell may intimate schemes of pro-

posal and implement scheme. But as D. P. I. has to maintain control and supervision of Tribal sub-plan also, the planning branch will keep watch over proposals sanctioning implementation. The file referred to above (PTE/MISC/ 3/ 77/ 78 ) has been retained in p(c) for drawing up the scheme properly. I have given p(c) to control all plan schemes including schemes for sub plan."

Under the planning cell the Deptt. has no interest in looking after the interests of the Bodo Sahitya Sabha. Now, I read out the minutes of discussion hald on 15. 3. 79 at 3 p m. at Janata bhawan.

Shri G. M. Sharma, A. D. P. I., Assam initaially conducted the praceeding on behalf of the D. P. I, Assam.

The D. P. I. attended subsequently and during discussion it transpired that though there is quantified allocation for the tribal sub-plan and the fund was to be provided under a sub-head the actual expenditure was incurred under the General head as no separate sub-head has so far been opened. Only after collection of details from the implementing officers the actual expenditure incurred under the tribal sub-plan identifying the

schemes can be submitted.

Hence the committee feels that the separate allocation shown by the D. P. I. and approved by the Advisory Council was merely a notional exercise on paper:

As such, issuing any instruction by the D. P. I. allocating funds against various schemes and earmarking them districtwise does not arise. It was further alleged that even though D. P. I.' s office submitted separate budget to the Govt., the Education Deptt., with copy to Finance Deptt. for Tribal Sub-plan during 1979-80, it was not included and shown in the budget under separate sub-head for tribal sub-plan. As per direction of the Home Ministry all the Deptts. except Education Deptt. have opened, since 1977-78, separate sub-head for the tribal subplan fund for ensuring non-divertibility of the sub-plan funds to other areas and for facilitating maintenance of accounts. This point was emphasised before the representatives of the Education Dptt.

Shri Sharma stated that several schools have been provincialised, but he could not submit details. Some of the Schools have fallen in Tribal Sub-plan areas,

he stated.

The committee enquired about the posting of Rs. 4.45 lakhs earmarked for maintenance for 100 existing teachaers but the details could not be submitted. even though this was a conditnuing scheme.

Therefore, the Concept of tribal Subplan is not clear to D. P. I's Office seem to have interdepartmental differences which the present D. P. I. promised to look into and do the needful.

The Director of Elementary Education did not attend nor sent any information.

Sir, again the Govt, has been sitting with the Bodo Sahithya Sabha for many times regarding the appointment of teachers. But nothing has so far been made in this direction. I, therefore, request the Hon'ble Minister of Education to give us a categorical assurance as to when the appointment of Bodo Teachers will be made.

* Shri Lakhyadhar Choudhury :— Sir, the General Secretary of Bodo Sahitya Sabha and Secretary of Central Action Committee of Bodo Sahitya Sabha sent a

* Speech not corrected

letter dated 19-2-79 addressed to the Chief Minister, the Minister, Education and Forest Minister of Assam intimating that the Central Action Committee of Bodo Sahitya Sabha had decided to launch agitation from 6-3-79 for not fulfilling the demands of Bodo Sahitya Sabha at all. The agitation was to take the form of Satyagraha in front of the Assembly Bhawan, Dispur and Circle and Block Development Officers' Offices in Bodo populated areas and the Sub-Divisional Head Quarters of Nalbari and Kokrajhar on 6-3-79. The Bodo Sahitya Sabha also decided to picket all Government Offices within Bodo pupulated areas from 26-3-79 until and unless the demands were fulfilled.

The Government has always tried to fulfill various demands through mutual discussions. So the Govt. had decided to start dialogue with the representatives of the Bodo Sahitya Sabha. Accordingly, discussions were held with representatives of Bodo Sahitya Sabha on 26-2-79 and 2-3-79 where the Minister of Education, Minister of Forest, Minister of Flood Control, Minister of State for Education, Several M. L. S's, Secretary and other Officials of Education Department were present.

After detailed discussion the following decisions had been arrived at :—

i) The Minister, Education assured the Bodo Sahitya Sabha that 150 posts of Bodo teacher of Secondary schools ( High & M. E. ) would be sanctioned from the budget for 1979-80 and would be given effect from 1-3-79 provided the teachers were in position and were duly qualified. In this connection, the Secretary, Education, pointed out that the sanction would be issued only after the budget for 1979-80 was passed and affter clearance from the P & D and Finance Department.

ii) The Bodo Sahitya Sabha agreed to the Government allotment of 65 posts of Hindi teachers for Bodo medium schools during 1978-79.

iii) Out of 292 posts of Hindi teachers sanctioned for M. V. Schools, 30 posts would be alloted to Bodo Medium M. V. Schools during 1978-79.

iv) Out of 2000 posts of Primary Schools teachers proposed to be craeated 300 ( three hundred ) would be alloted to Bodo medium Primary ( L. P. ) schools. It had also been decided that non Bodo teachers from the purely Bodo medium Primary Schools would be withdrawn, provided the Department was satisfied that continuation of such teachers was not necessary.

On the complaint made by Bodo Sahitya Sabha

that at the time of prouincialisation of secondary Schools Bodo medium teachers were left out, the Addl. Director of Public Instructions clarified that no such case had occurred. The D. P. I however, assured that if sueh cases were brought to his notice he will look into it.

At the conclusion, the Minister of State Education requested the representatives of the Bodo Sahitya Sabha to appreciate the sincerity of the Government in fulfilling the grievances through mutual discussion and appealed to the Bodo Sahitya Sabha to call off the proposed agitation from 6-3-79.

Accordingly, the meeting of Central Action Committee of Sahitya Sabha held on 2-3-79 had decided to postpone the proposed agitation upto 30th April, 1979, in view of above decision of Government and intimated their decision to the Govt. in writing. The meeting also resolved to resume the agitation from Ist. May, 1979 if the promises are not materialised in the meantime.

Mr. Deputy Speaker :— Now, the House stands adjourned till 10 a. m. tomorrow ( 24-3-79 )

## ADJOURNMENT

The House then rose at 11.58 A. M. and stood adjourned till 10 A. M. on Saterday, the 24th March, 1979.

DISPUR :
The 23rd March, 1979

P. D. BARUA,
Secretary,
Assam Legislative Assembly